প্ৰতি হাল নতুনকৈ জন্ম পোৱা পোৱালিয়ে জন্মৰ দ্বিতীয় মাহৰ পৰাহে পোৱালি দিব পৰা হয় ।এতিয়া হিচাবৰ পিছত দেখা গ'ল যে এবছৰ পিছত আপুনি 377 হালে শহাৰ গৰাকী হ'ল ।আপোনাৰ সমস্যাটোৰ সমাধান ইমানতে শেষ হ'ল ঠিকেই ।কিন্তু আপুনি মন কৰিছেনে যে আপোনাৰ প্ৰতি মাহৰ শহাৰ সংখ্যাই কিছুমান বৰ আকৰ্ষণীয় ধৰ্ম বহন কৰিছে । সেই বিশেষ ধৰ্ম বিলাকৰ বিষয়ে আলোচনা কৰিবলৈ আপোনাক দিয়া প্ৰথম শহাৰ সংখ্যা (হালত), প্ৰথম মাহত শহাৰ সংখ্যা (হাল) আৰু প্ৰতিমাহৰ শেষত আপোনাৰ ওচৰত জমা হোৱা শহাৰ সংখ্যা (হালত) বোৰ একাদিক্ৰমে লিখিলোৱা হ'ল —

1 1 2 3 5 8 13 21 34 55 89 144 .......

সংখ্যাৰ এই শৃংখলাটোৱেই বিখ্যাত ফিবনাকী শৃংখলা । শৃংখলাটোৰ সংখ্যাবিলাকক ফিবনাকী সংখ্যা বোলা হয় ।উল্লেখযোগ্য যে লিওনাৰ্ডে নিজে প্ৰস্তুত কৰা এটা প্ৰশ্নৰ সমাধান উলিয়াবলৈ গৈ সৃষ্টি হোৱা বহু আকৰ্ষণীয় গুনেৰে ভৰপূৰ এই শৃংখলাটোৰ ধৰ্ম বিলাকৰ বিষয়ে সেই সময়ত কিন্তু লিওনাৰ্ড নিজেই অজ্ঞাত আছিল ।শৃংখলাটোৰ সৃষ্টিৰ পিছত, ফিবনাকীৰ মৃত্যুৰ বহু বছৰ পিছলৈ ইয়াৰ বিষয়ে গণিতজ্ঞসকলে অধ্যয়ন কৰি আহিছে আৰু বহু গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আৱিষ্কাৰ হৈছে ।

আমি গণিতৰ ভাষাত এই সংখ্যাৰ শৃংখলাটোক অনুক্ৰম বুলি ক'ব পাৰো ।ফলনৰ ধাৰণাৰে এই অনুক্ৰমটোক আমি এনেদৰে লিখিব পাৰোঁ স্বাভাবিক সংখ্যাৰ সংহতিৰ পৰা স্বাভাবিক সংহতিলৈ ← f →এটা ফলন বুলি ধৰিলে ফিবনাকী অনুক্ৰম (Fibonacci sequence) টো হ'ব

$f : N \rightarrow N$ য'ত $f(n)=1,\ n=1,2$

$=f(n-1)+f(n-2),\ n>3$

ইয়াত N স্বাভাৱিক সংখ্যাৰ সংহতি আৰু n যিকোনো এটা স্বাভাৱিক সংখ্যা ।

এতিয়া ফিবনাকী অনুক্ৰমটোৰ ধৰ্ম কেইটামানৰ বিষয়ে আমি লক্ষ্য কৰিম ।

ধৰ্ম 1ঃ প্ৰথম দুটা পদৰ বাহিৰে অনুক্ৰমটোৰ সকলো পদেই তাৰ আগৰ ক্ৰমিক পদ দুটাৰ সমষ্টিৰ সমান ।

যেনে : 3=2+1, 5=3+2, 8=5+3, ইত্যাদি ।

ধৰ্ম 2ঃ প্ৰথম পদ দুটাক বাদ দিলে অনুক্ৰমটোৰ ক্ৰমিক দুটা পদ পৰস্পৰ মৌলিক ।

যেনে : 2 আৰু 3, 5 আৰু 8, 13 আৰু 21 ইত্যাদি ।

ধৰ্ম 3ঃ mn তম পদটো, m তম আৰু n তম পদ দুটাৰে বিভাজ্য।

যেনে ঃ 3×4=12 তম পদটো (144), তৃতীয় পদ (2) আৰু চতুৰ্থ পদ (3) ৰে বিভাজ্য ।

ধৰ্ম 4 ঃ অনুক্ৰমটোৰ যিকোনো দুটা পদৰ গঃসাঃগুঃ (H.C.F.) অনুক্ৰমটোৰ ভিতৰৰে এটা পদ হ'ব ।

যেনে ঃ21 আৰু 89 ৰ গঃসাঃগুঃ 3 অনুক্ৰমটোতে আছে।

ধৰ্ম 5ঃ m তম পদটো n তম পদেৰে বিভাজ্য হ'ব যদিহে m ক n ৰে ভাগ কৰিব পাৰি ।

যেনেঃ 12 ক 6 ৰে ভাগ কৰিব পাৰি ।গতিকে 12 তম পদটোক ( 144), 6 তম পদ ( 8) ৰে ভাগ কৰিব পৰা যাব ।

ধৰ্ম 6ঃ অনুক্ৰমটোৰ যিকোনো এটা পদক আন যিকোনো এটা পদেৰে ভাগ কৰি পোৱা ভাগশেষটোও অনুক্ৰমটোৰে এটা সংখ্যা হ'ব ।

ধৰ্ম 7ঃ শৃংখলাটোৰ প্ৰথম n টা পদৰ যোগফল = ( n+2) তম পদ - 1.

ধৰ্ম 8ঃ অনুক্ৰমটোৰ প্ৰথম n টা পদৰ বৰ্গৰ যোগফল = n তম পদ আৰু (n+1) তম পদৰ পূৰণফল ।

ধৰ্ম 9 ঃ শৃংখলাটোৰ প্ৰতি তৃতীয়টো সংখ্যা 2 ৰ গুণিতক, প্ৰতি চতুৰ্থটো সংখ্যা 3 ৰ গুণিতক আৰু প্ৰতি পঞ্চমটো সংখ্যা 5ৰ গুণিতক।

ধৰ্ম10ঃ যিকোনো তিনিটা ক্ৰমিক পদৰ ডাঙৰ দুটাৰ ঘনৰ যোগফলৰ পৰা সৰুটোৰ ঘন বিয়োগ কৰিলে যি সংখ্যা পোৱা যায়, সি অনুক্ৰমটোৰে এটা সংখ্যা হ'ব ।

ধৰ্ম 11 ঃ n যিকোনো স্বাভাৱিক সংখ্যা হ'লে অনুক্ৰমটোৰ n তম পদ

$$=\frac{1}{\sqrt{5}}\left[\left(\frac{1+\sqrt{5}}{2}\right)^n - \left(\frac{1-\sqrt{5}}{2}\right)^n\right]$$

ইয়াক চিনেটৰ সূত্ৰ বোলা হয় । n=1 বহুৱালে প্ৰথম পদ = 1 পদ ইত্যাদি ।

ধৰ্ম 12ঃ n>1 হ'লে

$$\left(\frac{1+\sqrt{5}}{2}\right)^{n-1} < (n+1) \text{ তম পদ} < \left(\frac{1+\sqrt{5}}{2}\right)^{n}$$

ধৰ্ম13 ঃ ফিবনাকী অনুক্ৰমৰ ক্ৰমিক পদবোৰৰ অনুপাতেৰে গঠিত অনুক্ৰমটোৰ সীমা প্ৰাচীন গ্ৰীকসকলে আবিস্কাৰ কৰা "সোনালী অনুপাতৰ" সমান ।

অৰ্থাৎ $n \rightarrow D$ হ'লে $\frac{Un+1}{Un} \rightarrow 1.61803=\frac{1+\sqrt{5}}{2}$

যাক সোনালী অনুপাত বুলি কোৱা হয় ।

এটা নিৰ্দিষ্ট পদৰ পিছৰ প্ৰতিটো পদ তাৰ আগৰ সুনিৰ্দিষ্ট পদৰ ৰৈখিক জোঁট (Linear combination) হিচাবে প্ৰকাশ কৰিব

পৰা অনুক্ৰম বিলাকক আমি ৰিকাৰ্চিভ (Recursive) অনুক্ৰম বুলি কওঁ ।গণিতৰ ইতিহাসত সম্ভৱতঃ ফিবনাকী অনুক্ৰমটোৱে প্ৰথম ৰিকাৰ্চিভ অনুক্ৰম । কিন্তু লিওনাৰ্ডে নিজেই এই বিশেষ বৈশিষ্ট্যৰ বিষয়ে আলোচনা আগবঢ়োৱাৰ উমান পোৱা নাযায় । ফিবনাকী অনুক্ৰমৰ গৱেষণামূলক চৰ্চা আৰম্ভ হয় প্ৰায় 1634 চনৰ পৰা । Albert Girard এ আগবঢ়োৱা আলোচনাটোৱে প্ৰথম পোহৰলৈ আহে।

উল্লেখযোগ্য যে যিকোনো স্বাভাৱিক সংখ্যাক ফিবনাকী অনুক্ৰমটোৰ সীমিত সংখ্যক পদৰ যোগফল হিচাপে প্ৰকাশ কৰিব পাৰি ।1611 চনত জাৰ্মান গণিতজ্ঞ কেপলাৰে উদ্ভিদৰ পাত আৰু ফুলৰ বিষয়ে অধ্যয়ন কৰোঁতে ফিবনাকী অনুক্ৰমটোৰ সংখ্যাৰ লগত এক সঙ্গতি দেখুৱাইছিল ।ঠিক তেনেকৈ ফৰাচী গণিতজ্ঞ লুকাছ 37 টা অংক বিশিষ্ট সংখ্যা $2^{127}-1$ক মৌলিক বুলি প্ৰমাণ কৰোতে ফিবনাকী অনুক্ৰমৰ ধৰ্ম ব্যৱহাৰ কৰিছিল বুলি প্ৰকাশ পাইছে।

ফিবনাকী অনুক্ৰমৰ অধ্যয়ন আজিও অব্যাহত । গণিতৰ সংখ্যাতত্ত্বৰ গৱেষক সকলৰ বাবে ই এক অতি আকৰ্ষণীয় বিষয় । আমি জানো যে অনুক্ৰমটোৰ বিষয়ে গৱেষণা কৰিবলৈ 1962 চনতে গঠিত হৈছে ফিবনাকী এছোছিয়েছনৰ ।গতিকে অদূৰ ভৱিষ্যতে এই ফিবনাকী অনুক্ৰমটোৰ আৰু অধিক বৈশিষ্ট্য আৱিষ্কাৰ হোৱাৰ লগতে গণিতৰ বিভিন্ন গণনাৰ লগত ইয়াৰ সম্পৰ্কৰ বিষয়ে জানিব পৰা যাব নিশ্চয় ।

## সহায়কগ্ৰন্থ ঃ


A.K. ঃ Mathmatics in Ancient and Medieval India -1979

Barnett I.A. ঃ Elements of Number theory -1972


বুদ্ধপ্ৰসাদ চেতীয়া ঃ গণিতৰ ক্ৰমবিকাশৰ ইতিহাস -1998

David M Barton ঃ Elementary Number theory -2000 (reprint)

দিলীপ শৰ্মা ঃ নিৰুপম গণিত -2000

Sakuntala Devi ঃ Numbers -1984


❑❑



# দীঘাৰ পৰা ৰোথাংপাছলৈ

কমলেশ্বৰ ঠাকুৰীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ । ফেব্ৰুৱাৰী মাহৰ নাতিশীতোষ্ণ এটি ৰাতিপুৱা । এৰোড্ৰামত জেট এয়াৰ ৱেজৰ বিমানখনে দীঘল এপাক মাৰি শূণ্যলৈ উৰা মাৰিলে। ভূ-পৃষ্ঠৰ দৃশ্যমান সকলো বস্তু ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতৰ হৈ গৈ থাকিল। আকাশত ওলমি থকা শুকুলা মেঘৰ প্ৰাচীৰ ভাঙি বিমানখন মহাশূণ্যত পৃথিৱীৰ সমান্তৰাল অৱস্থালৈ আহিল । সামান্য কঁপি উঠিল বিমানখন। পৃৰিৱীৰ স'তে কি অমল সংযোগ মানুহৰ ! সামান্য কম্পনতে ভাৰসাম্যহীন হৈ পৰিল সমগ্ৰ শৰীৰ । মহাকাশলৈ দৃষ্টিপাত কৰাত ভাসমান হৈ উঠিল যেন এক অপাৰ্থিৱ জগত । মেঘৰ ওপৰত শূণ্য নীলাভ আকাশ আৰু তলফালে ৰচনা কৰিছে মেঘে এক মায়াময় সৌন্দৰ্য । ভাৱ হয় এয়া যেন অন্য এক গ্ৰহ য'ত এতিয়াও জীৱনৰ সূচনাই হোৱা নাই । নামি দিলে হয়তো মেঘৰ মাজে মাজে বিচৰণ কৰি ফুৰিব পৰা যাব ।

ৰঞ্জিত, মণিকুট, গৌতম আজি লগত নাই । শীতৰ আগমণৰ লগে লগে ইহঁত তিনিটাই আহি ক'ব — এইবাৰ কলৈ যোৱা হ'ব চাৰ ? দিল্লী, আগ্ৰা, কুলু, মনালী, গেংটক, দাৰ্জিলিং, দীঘা-কলকাতা, পোখাৰা-কাঠমাণ্ডু ? পূজাৰ বন্ধ মানেই যেন এক দীঘলীয়া পৰিক্ৰমা। লগত এজাক ছাত্ৰ-ছাত্ৰী লৈ প্ৰতিবাৰে আৰম্ভ হয় আমাৰ শিক্ষা মূলক ভ্ৰমণ । অভিভাৱক, বন্ধু-বান্ধৱৰ শুভ কামানাৰে বকোৰ পৰা গুৱাহাটীলৈ আৰম্ভ হয় প্ৰথমে বাছ-যাত্ৰা । ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনা ভৰা এই যাত্ৰা ইমান আনন্দদায়ক যে সেই মুহূৰ্তবিলাকৰ কথা ভাবিলে মনৰ সকলো দুখ-বেদনা পলকতে অন্তৰ্ধান হয় ।

ট্ৰেনখনত উঠি আটায়ে ব্যস্ত হৈ পৰে । ডবাটো ক্ষন্তেকতে নিজৰ ঘৰৰ ৰূম এটালৈ ৰূপান্তৰিত কৰি লয় । কোনোবাই বিছনা পাৰে, কোনোবাই গল্প-গুজবত বহে, কোনোবাই তাচ খেলিবলৈ লয়, কোনোবাই আকৌ লঘু আহাৰত বহে; যেন ব্যস্ততাৰ অন্ত নাই। চলন্ত ট্ৰেনৰ খিড়িকীৰ কাষত বহি বাহিৰলৈ চাই গৈ থাকিলে চেলুলয়ডত ধৰি ৰখা ছবিৰ দৰে ইখনৰ পিছত সিখন ঠাই, প্ৰাকৃতিক দৃশ্য চকুৰ আগেৰে পাৰ হৈ গৈ থাকে । অসমতল পতিত মাটি, বিশৃঙ্খল ৰূপত সিঁচৰিত হৈ থকা গছ-বিৰিখ, বন-জংঘলৰ পৰিবৰ্তে অসমৰ সীমান্ত পাৰ হোৱাৰ লগে লগে আভাস পোৱা যায় অন্যান্য ৰাজ্যৰ উন্নত কৃষি ব্যৱস্থা । সমতল বিস্তৃত অঞ্চলবোৰ শস্যৰ বাবে উপযোগীকৈ ৰখা হৈছে । অঞ্চল ভেদে ধান, কুঁহিয়াৰ, আম প্ৰভৃতিৰ নদন-বদন খেতি ।

সেইবাৰ আমি গৈছিলোঁ দিল্লীলৈ । লক্ষ্ণৌ ষ্টেচনতে সমবয়স্কা দুই যুৱতী আমি থকা ডবাটোত উঠি বহিবলৈ ঠাই বিচাৰি আছে । মোৰ বিপৰীতমুখী চিটটোত ঠাই অলপ পাই ঘপহকৈ বহি পৰিল । ছোৱালী, তাতে আকৌ অলপ পিছতে নামিবই । গতিকে আপত্তিৰ

কাৰণ নাথাকিল। কিন্তু পিছ মুহূর্তে ছোৱালী দুজনীয়ে ভৰিকেইখন মই বহা চিটটোত এনেদৰে মেলি দিলে যে মই সামান্যতম লৰ চৰ কৰিলে সিহঁতহালৰ ভৰি মোৰ কৰঙন স্পৰ্শ কৰে। স্পৰ্দ্ধাৰো সীমা এটা থাকে। ঘপহকৈ উঠি অলপ আঁতৰত খেলি থকা ছাত্ৰখিনিক কথাটো কলো। ক'বলৈহে পালো, আটাইজাকে উবুৰি হৈ পৰিল ছোৱালী দুজনীৰ চাৰিও ফালে। হিন্দী গীত, বিহুগীত সিহঁতে এনেদৰে গাবলৈ ধৰিলে, শুনা সকলো যাত্ৰীয়ে অনুৰোধ কৰিবলৈ ধৰিলে বেছিকৈ গাবলৈ। কোনোবাই আকৌ মিছাতে কেমেৰাৰ ফ্লাচ্ মাৰিবলৈ ধৰিলে। বৰেলীত ছোৱালীদুজনী নামিল। সাধাৰণতে ৰিজাৰ্ভেচন নথকা যাত্ৰী কিছুমানে ট্ৰেন যাত্ৰা কৰাৰ বহু আগতে উঠি চিটবোৰ দখল কৰি থাকে। এনে যাত্ৰীৰ পৰা নিজৰ চিটটো আদায় কৰি লোৱা বৰ টান। এনে ক্ষেত্ৰত ৰজিত আৰু গৌতম থাকিলে চিন্তাৰ কোনো কাৰণ নাথাকে। দাবি ধমকি দি তেনে যাত্ৰীক নগুৰ-নাকটি কৰে। অকল সেয়াই নহয়, প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'বলৈও ৰজিতে কুণ্ঠাবোধ নকৰে। সেই কাৰণে ৰজিত থাকিলে বহুক্ষেত্ৰত নিশ্চিত হৈ যাব পাৰি। ভ্ৰমণ কালত ছাত্ৰ-ছাত্ৰীসকল অতিশয় বাধ্য আৰু অনুগত হৈ থাকে। এই মধুৰ সম্পৰ্ক পিছলৈও অটুত থাকি যায়।

"সাগৰ দেখিছা ? দেখা নাই কেতিয়াও ?ময়ো দেখা নাই

— দেৱকান্ত বৰুৱা (সাগৰ দেখিছা)

কলকাতাৰ অসম হাউচৰ পৰা ছাত্ৰসকলক লৈ দীঘালৈ গৈছিলোঁ। পশ্চিমবঙ্গ ৰাজ্যিক পৰিবহণ নিগমৰ বাছেৰে প্ৰায় ছয় ঘণ্টাৰ ৰাস্তা। বাছৰ পৰা নমাৰ লগে লগে পাৰত আচাৰ খাই পৰা সাগৰৰ ঢৌৰ শব্দ কাণত পৰে। ছাত্ৰসকলক সাগৰৰ পাৰলৈ যাবলৈ দি অসম হাউচলৈ ওভোতাৰ ব্যৱস্থা কৰিবলৈ বাছষ্টেছনলৈ গলো। আমি মাথোঁ এঘণ্টামানহে সাগৰ তীৰত থাকিব পাৰিম, নহ'লে ওভোতাৰ ব্যৱস্থা নাথাকিব। সাগৰৰ পাৰত থিয় দি অসীম জলৰাশি চাই আছোঁ তন্ময় হৈ। কোনোবাই কৈ উঠিল — এয়াহে সাগৰ! কি আছে ইয়াত ? — কি কৈছা ? এয়াই সেই সাগৰ যাকদেখি দেৱকান্ত বৰুৱাই লিখিছে — 'সাগৰ দেখিছা'। য'ত থুপখাই আছে অন্তহীন ৰহস্য আৰু ৰহস্য। যোৱা প্ৰত্যেকে একোবাৰ সাগৰত গা ধুই লোৱা। সুশান্তই দঢ়াই দঢ়াই কৈ পঠাইছে — সাৱধান, দলৈ নাযাবা।

প্ৰকৃতি আৰু যান্ত্ৰিক সভ্যতাই য'ত সহাৱস্থান কৰিছে তেনে ঠাইয়ে পৰ্যটনৰ ক্ষেত্ৰত সদায়ে অগ্ৰাধিকাৰ পাই আহিছে। চিকিমৰ ৰাজধানী গেংটক প্ৰকৃতি আৰু প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব সংগম। গেংটকৰ পৰা পয়ত্ৰিশ কিলোমিটাৰ আঁতৰত 'চংগুলেক'। আচৰিত! সাগৰপৃষ্ঠৰ পৰা বাৰ হেজাৰ চাৰিশ চল্লিশ ফুট উচ্চতাৰ চংগুলেক। চংগুলেকৰ পৰা বিশ কিলোমিটাৰ দুৰৈত নাটুলা। চাইনা বোৰ্ডাৰ। নিষিদ্ধ এলেকা। প্ৰথম যেতিয়া গেংটকলৈ গৈছিলোঁ, লগত আছিল মদন, বিচিত্ৰ আৰু বিশ্বজিৎ। দাৰ্জিলিঙৰ পৰা পাহাৰীয়া একা-বেঁকা ৰাস্তাৰে ক্লান্ত-শ্ৰান্ত হৈ যেতিয়া গেংটক পাইছিলোঁ, পাঁচটা বাজিছিল তেতিয়া। জীপখনৰ পৰা নামি চাৰিওজনে অপলক দৃষ্টিৰে বৰ্ণময় গেংটক চহৰখন চাই মন্ত্ৰমুগ্ধ হৈ পৰিছিলোঁ। যেন কোনোৱে লৰচৰ কৰিব পৰা নাই বহু সময়। আলফিন নামৰ হোটেলখনৰ ৰূম এটা ললোঁ। ৰাতি আটাইকেইজনৰে ইমান গভীৰ নিদ্ৰা আহিল যে কেতিয়া ৰাতি পুৱাল, আঠটা বাজিল গমেই নাপালোঁ। বাহিৰত অতিপাত ঠাণ্ডা। জীপ এখন ভাড়াত লৈ চংগুলেক চাবলৈ ওলালোঁ। তিনি ঘণ্টাৰ ৰাস্তা। অকোৱা-পকোৱা পাহাৰীয়া ৰাস্তা। প্ৰতিখন পাহাৰৰ দাঁতিয়ে দাঁতিয়ে ৰাস্তাবোৰ গৈছে। ৰাস্তাৰ এফালে শেষ নেদেখা পাহাৰ আৰু আনটো ফালে শ-শ মিটাৰ তলত এৰি অহা আনখন পাহাৰ দেখিবলৈ পোৱা যায়। পাহাৰৰ যিমানে ওপৰলৈ উঠা যায়, ঠাণ্ডাৰ প্ৰকোপ সিমানে বেছি হয়। প্ৰথমে ৰাস্তাৰ কাষত টুকুৰা-টুকুৰ বৰফ দৃষ্টিগোচৰ হয়, তাৰ পিছত পাহাৰৰ ওখ অংশত আৰু তাৰ পাছত দেখা যায় সমগ্ৰ পাহাৰবোৰেই শুভ্ৰ বৰফেৰে ঢাক খাই আছে। পাহাৰৰ এঢলীয়া অঞ্চলৰ অ'ত-ত'ত সিঁচৰিত হৈ থকা সৈনিকৰ কেম্পবোৰে অঞ্চলটো কিমান স্পৰ্শকাতৰ তাক প্ৰমাণ কৰে। ৰাস্তাটোৰ অন্তিম ভাঁজটো অতিক্ৰম কৰি আমি চংগুলেকৰ পাৰত উপস্থিত হলোঁ। ড্ৰাইভাৰ জনক কলোঁ যে আমি ইয়াত কিছু দেৰিলৈকে থাকিম। তেওঁ কলে — আধা ঘণ্টাই থাককছোন! অতিশয় ঠাণ্ডা। হঠাতে চেঁচা বতাহ মাৰিব পাৰে। অথবা বেলি যিমানে মূৰৰ ওপৰ পাব বৰফ সিমানে গলিব। তেতিয়া গোটেই অঞ্চল মেঘে ঢাক খাই পৰিব। চংগুলেকৰ গভীৰতা পঞ্চাশ ফুট। হিম শীতল ইয়াৰ গভীৰ নীলা পানী। পাহাৰৰ ওপৰত জমা হোৱা বৰফ গলি চংগুলেকত জমা হয়। হ্ৰদটোৰ এটা পাৰে নাটুলা পাছলৈ যোৱা ৰাস্তাটো। বাকী তিনিওফালে সুউচ্চ বৰফাবৃত্ত পাহাৰ। পাহাৰৰ ওপৰৰ পৰা হ্ৰদটোৰ পানীলৈ বৰফৰ শুকুলা কোমল দলিচা, য'ত অনায়াসে খোজ কাঢ়ি ফুৰিব পাৰি। পথৰ আশে-পাশে দোকান, গাড়ী ৰখা ঠাই। পৰ্যটকেৰে ঠাইখিনি গিজগিজাই থাকে। চংগুলেক চাৰিও ফালৰ পৰা পাহাৰাবৃত্ত। ভাৱ হয় ইয়াৰ পৰা আকাশখন যেন বেছি দুৰত নহয়। আকাশৰ গভীৰ নীলাই সমগ্ৰ চংগুলেকৰ পৰিৱেশ কৰি তোলে প্ৰহেলিকাময়। কিন্তু দ্বিতীয়বাৰ চংগুলেকলৈ গৈ বৰফ দেখা নাপালোঁ। আজি-কালি হেনো চংগুলেকত বৰফ পৰে দেৰিকৈ।

চংগুলেকলৈ যাওঁতে ভাবিছিলোঁ ইমান ভয়াবহ পথ, ইয়ালৈ হয়তো দ্বিতীয়বাৰৰ অহা নহ'ব; কিন্তু মনালীৰ 'ৰোথাং পাছ'লৈ যোৱা পথছোৱা আৰু ভয়াবহ। একেদৰে পাহাৰৰ পিছত পাহাৰ অতিক্ৰম কৰা এঢলীয়া ৰাস্তা। পাহাৰবোৰত গছ-বিৰিখ নাই, ওখ পাহাৰীয়া অঞ্চল। গৈ থাকোঁতে ভাৱ হয় গাড়ীখন যেন পথৰ পৰা বাগৰি শ শ মিটাৰ তলত এৰি অহা পথবোৰত আকৌ উবুৰি হৈ এই পৰোঁ এই পৰোঁ অৱস্থা। ভয়তে মাজে মাজে চকু মুদি ঈশ্বৰৰ নাম লওঁ। একোবাৰ আটাইবোৰে চিঞৰি উঠে হে ভগৱান। মনালীৰ পৰা

ৰোথাং পাছলৈ দূৰত্ব একাৱন্ন কিলোমিটাৰ আৰু উচ্চতা তেৰ হাজাৰ চাবিশ ফুট । মনালীৰ যিখন হোটেলত আমি আছিলোঁ তাৰে এজন পৰিচালক আমাৰ লগত গৈছিল । পৰিচালকজনে হিন্দীতে কোৱা কথাখিনি মিৰাজ খানে অসমীয়াতে কৈ গৈছিল — ডিচেম্বৰ জানুৱাৰী মাহত ৰোথাং পাছলৈ অহা পথবোৰত মিটাৰ-মিটাৰ বৰফ জমা হৈ পথ অৱৰুদ্ধ হয়, বৰফ গলি শেষ হোৱাৰ পিছত পাহাৰবোৰত বনৰীয়া ফুল ফুলে, য'ত হিন্দী চিনেমাৰ চুটিং হয়, কাষত দেখা বৰফাবৃত ওখ পাহাৰ খন বগাই ভাৰতীয় সৈনিক কাৰ্গিলৰ যুদ্ধলৈ গৈছিল, এই ৰাস্তাৰে যুদ্ধৰ সামগ্ৰী সৰবৰাহ হৈছিল ইত্যাদি । মিৰাজ খানে খৰকৈ কথা নকয় । মনালীৰ পৰা ওভোতাৰ পথত দিল্লীত ট্ৰাক এখনে আমাৰ বাছখন খুন্দিয়াইছিল । নিশ্চিত বিপদৰ পৰা আমি কোনোমতে ৰক্ষা পৰিছিলোঁ । গাড়ীৰ পৰা নামি ছাত্ৰসকলে ট্ৰাক ড্ৰাইভাৰ জনক মাৰ-ধৰ কৰিলে । বিচিত্ৰই কোন চেগত ট্ৰাকখন লৈ উধাও হ'ল । দুই কিলোমিটাৰ মান দূৰৈত আহি বিচিত্ৰক লগ পালো । তেতিয়া মিৰাজ খানে ট্ৰাকখন তেনেদৰে লৈ অহাটো কিমান ভয়াবহ কথা, সেইটো ছাত্ৰ-ছাত্ৰীসকলক ভয়াৰ্ত কণ্ঠৰে বুজাইছিল । মই আচৰিত হৈছিলো মিৰাজ খানৰ সেই সময়ত কথা কোৱাৰ যাদুকৰী ভঙ্গী দেখি । ৰোথাং পাছৰ সমভূমি অঞ্চলত তীব্ৰ চেঁচা বতাহ বলি থাকে । ঠাণ্ডাই থকা-সৰকা কৰি পেলায় । গাড়ীৰ পৰা নমাৰ লগে লগে চাৰিওফালৰ পৰা কিছুমান মহিলাই দীঘল নোমাল চোলা একোটা গাত পিন্ধাই দিয়ে । এয়া যেন তেওঁলোকৰ এৰাব নোৱাৰা কৰ্তব্যহে । বিনিময়ত তেওঁলোকক দহটকাকৈ দিব লাগে । ভাবিছিলোঁ চংগুলেকৰ পৰা আকাশখন বেছি দূৰৈত নহয়; কিন্তু বিশাল ৰোথাং পাছৰ চৌদিশে আকাশখন বেছি দূৰৈত নহয়; কিন্তু বিশাল ৰোথাং পাছৰ চৌদিশে থকা সুউচ্চ শুভ্ৰ বৰফাবৃত পৰ্বত মালাত আকাশখন লাগিয়ে আছে । চাই তৃপ্তি নপলোৱা ৰোথাং পাছৰ বিমল সৌন্দৰ্য । যি ফালেই চোৱা যায় অনুভৱ হয় যেন কোনোবা চতুৰ শিল্পীয়ে কেনভাচত বন্দী কৰি ৰখা নিৰ্লোভ লেণ্ডস্কেপহে ।

চিমলাৰ পৰা কুফৰীলৈ যোৱা ৰাস্তাও দুৰ্গম; কিন্তু চংগুলেক বা ৰোথাংপাছলৈ যোৱা ৰাস্তাৰ দৰে নহয় । দেৰ শ টকাত ভাৰা কৰি বাছৰখা ঠাইৰ পৰা ঘোঁৰাত উঠি কুফৰীলৈ যাব লাগে । কুফৰী সমতল ভূমি নহয় । কৰবাত ওখ, কৰবাত চাপৰ । অপৰূপ ইয়াৰ প্ৰাকৃতিক শোভা । শীত কালত এই অঞ্চল বৰফে ঢাকি থাকে। নানা তৰহৰ বৰফত খেলা খেল সেই সময়ত ইয়াত হয় । কুফৰীৰ যিকোনো ঠাই এটুকৰাত থিয় দিলে চিমলাৰ বহুতো ঐতিহাসিক ঠাই চকুত পৰে । ইন্দিৰা গান্ধী আৰু ভুট্টোৱে চুক্তি সম্পাদনা কৰা গৃহ, ৰজা-ৰাণীৰ বাসগৃহ, আটাইতকৈ ওখত থকা মন্দিৰটো- য'লৈকে খোজ কাঢ়ি যাব লাগে চাৰিদিনৰ ৰাস্তা ইত্যাদি । দাৰ্জিলিঙৰ ৰেলষ্টেচন বা আচাৰ্য ভানুভক্ত পাৰ্কত থিয় দিলেও একেদৰে দাৰ্জিলিঙৰ অনন্য এক ৰূপ চকুত পৰে। নেপালৰ স্বয়ম্ভু বৌদ্ধ মন্দিৰৰ পৰাও দৃষ্টিনন্দন বিশাল কাঠমাণ্ডু উপত্যকা চিত্ৰৰ দৰে উদ্ভাসিত হৈ উঠে । কুফৰীলৈ যোৱা পথত ঘোঁৰাত যিসকলে উঠিব নাজানে চালক জনে তেওঁলোকক সহায় কৰি দিয়ে । ঘোঁৰাত উঠাৰ ভয় আৰু চালকৰ সহায় — এই দোদুল্যমান অৱস্থাত বিশেষকৈ ছোৱালীহঁতৰ অৱস্থা বৰ হাঁহি উঠা ধৰণৰ হয় । দীপাঞ্জলিৰ ঘোঁৰাত উঠা ফটো দুখনমান উঠাইছিলোঁ । চালকে ৰচীত ধৰি ঘোঁৰা আগুৱাই লৈ গৈছে আৰু আৰোহী ঘোঁৰাৰ ওপৰত নিৰল প্ৰকৃতিৰ মাজত; যেন দুৰন্ত প্ৰেমিকে প্ৰেমিকাক লৈ গৈছে নিৰাপদ স্থানলৈ । ফটো কেইখন দেখি বাকী কেইজনীয়ে চিঞৰি উঠিল — এ ভাই, দীপাঞ্জলীৰ ঘোঁৰাচালক ল'ৰাটো ইমান ধুনীয়া, ই ক'ত আছিল?

দাৰ্জিলিঙত ৰাতিপুৱা চাৰি বজাতে হোটেলবোৰৰ সন্মুখত জীপ চালকবোৰে চিঞৰ-বাখৰ আৰম্ভ কৰে — টাইগাৰ হিলচ্, চান ৰাইজিং । আন্ধাৰতে গৈ টাইগাৰ হিলচ্‌ত সুবিধাজনক ঠাই গ্ৰহণ কৰিব লাগে সূৰ্যোদয় চাবলৈ । ভাল ঠাই দেখুৱাই দিবলৈ তাত কিছুমান মহিলা উন্মুখ হৈ থাকে । ধীৰাজ দাস আমাৰ মাজত আটাইতকৈ ওখ আৰু দেখনিয়াৰ । গতিকে তেওঁ সকলোৰে চকুত পৰে । এজনী নেপালী তিৰোতাই ধীৰাজক কঁকালত সাৰটি ধৰিলে আৰু 'আহা ভাই' বুলি আগবঢ়াই লৈ গ'ল । আন্ধাৰৰ মাজতে সিহঁতে ইজনীয়ে সিজনীক ঠাট্টা-মস্কৰা কৰে 'এইজন মোৰ' । নিৰ্দিষ্ট ঠাইত থিয় হ'বলৈ দি কোন ফালে সূৰ্যোদয় হ'ব দেখুৱাই দিয়ে । সিহঁতৰ উদ্দেশ্য হ'ল কফি বিক্ৰী কৰা । অলপ পিছতে সকলোকে একো কাপ কফি যাচি নতুন আলহীৰ সন্ধানত ব্যস্ত হৈ পৰে । সময় যিমানে আগবাঢ়ি যায়, টাইগাৰ হিলচ্‌ৰ আকাশৰ ৰঙৰ সিমানে দ্ৰুত পৰিবৰ্তন ঘটে । সাতো ৰঙৰ বিচিত্ৰ সমাহৰ, বিচিত্ৰ খেলা । ধীৰে ধীৰে সূৰ্য উদয় হ'বলৈ ধৰে । কৌতুহলী মানুহবোৰৰ চিঞৰ-বাখৰ আৰম্ভ হয় । কোনোবাই কৈ উঠে — চাওক, চাওক, বাবাই আজি কাকো নঠগে, বতৰ ফৰকাল । তীব্ৰ ৰঙা সূৰ্যটো দগ্‌মগ্‌কৈ ওপৰলৈ উঠি আহে । সূৰ্যোদয় চাবলৈ ইয়াত ওপৰলৈ চাব নালাগে, চাব লাগে তলৰ ফালে । যেন মাটিৰ তলৰ পৰা হে সূৰ্যটো উঠি আহিছে। সূৰ্যৰ পোহৰ চৌদিশে বিচ্ছুৰিত হৈ পৰাৰ লগে লগে উত্তৰ ফালে বৰফেৰে আবৃত হিমালয় পৰ্বতমালা জিলিকি উঠে । টাইগাৰ হিলচ্‌ৰ আন্ধাৰ আঁতৰি যায় মুহূৰ্ততে ।

শিলিগুৰিৰ পৰা নেপালৰ পোখৰালৈ বাছেৰে এদিন এৰাতিৰ ৰাস্তা । নেপালৰ স্থলপথৰ ব্যৱস্থা অনুন্নত । কিন্তু পোখৰালৈ যোৱা এই সুদীৰ্ঘ পথৰ ব্যৱস্থা অতি উন্নত । ঠাই বিশেষে একোছোৱা পথ ফুটবল খেলা পথাৰৰ দৰে বহল । ৰাস্তাৰ ক'তো পুলিচ চকুত নপৰিল। মাথোঁ কাঠমাণ্ডুত ৰাস্তা ভুল কৰি বাছ নগৰলৈ আগবঢ়াত পুলিচক পাঁচ টকা ভেটি দিব লগীয়া হৈছিল । পোখৰা বিদেশী ভ্ৰমণকাৰীৰ প্ৰিয় ঠাই । হোটেল-ৰেষ্টুৰেণ্টবোৰ বিদেশী ভ্ৰমণকাৰীৰে ভৰি থাকে। অদ্ভুত পোখৰাৰ নৈসৰ্গিক সৌন্দৰ্য । পোখৰাৰ 'ফেৱা' হ্ৰদ পৰ্যটনকাৰীৰ

আকৰ্ষণৰ কেন্দ্ৰ স্থল । নাৱত উঠি হ্ৰদটোত ঘূৰি ফুৰাৰ আমেজেই সুকীয়া । হ্ৰদটোৰ এফালে ৰাস্তা আৰু ৰাস্তাৰ দুয়োফাষে থকা দোকানবোৰত দেশ-বিদেশৰ বস্তু ঠাহ খাই থাকে । হ্ৰদটোৰ প্ৰায় তিনিটাফাল ওখ পাহাৰেৰে পৰিবেষ্টিত । উত্তৰ ফালে নাতিদূৰৈত ধৌলগিৰি, অন্নপূৰ্ণা, মাচ্চাপুচৰে আদি বৰফেৰে পৰিপূৰ্ণ পৰ্বত শৃঙ্গমালা। পোখৰা চহৰখন ঘূৰিবলৈ চাইকেল আৰু মটৰচাইকেল ভাড়াত পোৱা যায় । আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে চাইকেল, মটৰ চাইকেল লৈ ঘূৰি ফুৰিবলৈ ধৰিলে । সুন্দৰ, অতি নিৰাপদ ঠাই পোখৰা । মানুহ বিলাকৰ ব্যৱহাৰ অতি বিনম্ৰ । ভাৰতীয় বুলি ক'লে বৰ সমীহ কৰে । ফেৱা হ্ৰদৰ পাৰত বন্দনাই চাইকেল চলাই গৈ আছে, কৰ পৰা জানো অঘাইটং ল'ৰা এটা জাপমাৰি বন্দনাৰ চাইকেলৰ কেৰিয়াৰত উঠি বহিল । খঙতে বন্দনাই বেচ ধমক এটা দিয়াত সি ক'লে — কি হ'ল ব'লা ! পিচৰ ধমকত সি নামিল । কিন্তু বন্দনাৰ ভয় হ'ল সি যদি আকৌ উঠিলে হে, তেতিয়া ? মিঠু শকত-আৱত ছোৱালী, ৰাস্তাও ওখৰা-মোখৰা ; গতিকে থৰক-বৰককৈ চলাই ৰাস্তাত থকা পুলিচ এটাৰ দুভৰিৰ মাজেৰে দিলে চাইকেলৰ চকা সুমুৱাই । গিৰজনি মাৰি আটায়ে হাঁহি দিলে । বন্দনাৰ উত্তৰ-পুলিচজনক চেপিব পাৰো, মই কিন্তু চাইকেলৰ পৰা বাগৰি পৰা নাই দেই ।

পোখৰাৰ 'ডেভিড ফলচ্' বৰ বিস্ময়কৰ । সুদূৰৰ পৰা প্ৰবল গতিত বৈ অহা পানী ভাগ ভয়াবহ শিলৰ গুহা এটাত আচাৰ খাই পৰি অন্তৰ্ধান হৈ যায় । গুহাটোৰ মুখত চিটিকি অহা পানীৰ কণিকাই সৃষ্টি কৰি থৈছে সপ্তৰঙী এখন ৰামধেনু, যাক হাতেৰে স্পৰ্শ কৰি চাব পাৰি। দোকানবোৰত হিমালয়ৰ বিভিন্ন আকৃতিৰ ছবি কিনিবলৈ পোৱা যায়। ছবি দুখনমান কিনি থাকোঁতে আন এজন গ্ৰাহকে দোকানীজনীক কৈ আছে — আমি কি ইণ্ডিয়ান নেকি ? ইমান দাম কিয় ? ৰাস্তাত মাকৰ ওচৰত এতি সৰু ল'ৰাই জপিয়াই জপিয়াই গাই আছিল — ডাঙৰ হ'লে ইণ্ডিয়ালৈ যাম, বহুত পইচা কামাম, আকৌ ঘূৰি আহিম।

পোখৰাৰ পৰা কাঠমাণ্ডুলৈ যাওঁতে বাৰঘণ্টা সময় লাগিছিল। ৰাস্তাৰ এফালে নদী, আনফালে পাহাৰ । বাছে নিৰন্তৰ গতি কৰে ক্ৰমাগত উৰ্দ্ধমুখী হৈ । পাহাৰৰ পিছত পাহাৰ অতিক্ৰম কৰি কাঠমাণ্ডু পাওঁতে নিশা আঠ বজিছিল । চুবুৰীয়া হ'লেও নেপাল এখন বিদেশী ৰাষ্ট্ৰ আৰু একমাত্ৰ হিন্দুৰাষ্ট্ৰ । পিছদিনা পুৱাই পশুপতি মন্দিৰ দৰ্শন কৰিবলৈ গৈছিলোঁ । মূল তোৰণখন পাৰ হোৱাৰ লগে লগে পশুপতি মন্দিৰ যেতিয়া প্ৰথম চকুত পৰিছিল এক অব্যক্ত আনন্দ অনুভৱ কৰিছিলোঁ । একেই অনিৰ্বচনীয় পুলক অনুভৱ হৈছিল প্ৰথম তাজমহল দৰ্শনৰ পিছত । সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত পশুপতি মন্দিৰ দৰ্শন কৰি প্ৰশান্তিৰ মন-প্ৰাণ ভৰি পৰিছিল । ধূপ-ধূনা, হোম -যজ্ঞৰ ধোঁৱাৰে মন্দিৰ প্ৰাঙ্গন ক'লা হৈ আহিছিল । মূল মন্দিৰটোৰ লগতে বৃহৎ চৌহদটোৰ সৰু-সুৰা অসংখ্য মঠ মন্দিৰ সংলগ্ন হৈ আছিল । মন্দিৰলৈ যোৱা পথতে ৰাজদৰবাৰ 'নাৰায়ণহিটি' । নেপালৰ মঠ-মন্দিৰ, বৌদ্ধ গুম্ফা, হাট-বজাৰ সকলোতে ৰাজপৰিয়ালৰ ছবি দেখিবলৈ পোৱা যায়। তেনেকুৱা কেইখনমান ফটো সযতনে কিনি ৰাখিছিলোঁ । তেতিয়া নেপালৰ ৰজা আছিল মহাৰজ বীৰেন্দ্ৰ বিক্ৰম শ্বাহ । তেজোদীপ্ত কি কান্তিময় পুৰুষ ! নেপালৰ প্ৰজাসাধাৰণে ৰজা বীৰেন্দ্ৰ বিক্ৰম শ্বাহক ৰামচন্দ্ৰৰ অৱতাৰ বুলি বিশ্বাস কৰিছিল। নেপালী মানুহৰ বিশ্বাস — পঞ্চাছ বছৰ অতিক্ৰম কৰাৰ পিছতে ৰজাৰ জীৱনলৈ মৃত্যুশঙ্কা নামি আহে, যিটো পুৰুষানুক্ৰমে চলি আহিছে। আমি নেপালৰ পৰা ঘূৰি অহাৰ কেইদিনমান পিছতে বৰপুত্ৰ যুৱৰাজ নৃপেন্দ্ৰৰ হাতত ৰজা, ৰাণী ঐশ্বৰ্য্য, পুত্ৰ নীৰাজন আৰু কন্যা শ্ৰুতিৰ জীৱনৰ কৰুণ পৰিসমাপ্তি ঘটিছিল । নৃপেন্দ্ৰয়ো আত্মহত্যা কৰিছিল । কিন্তু নেপালৰ জনসাধাৰণে এই মৃত্যু সহজ ভাবে গ্ৰহণ কৰিব নোৱাৰিলে । নৃপেন্দ্ৰই যদি আত্মহত্যাই কৰিছিল, তেন্তে বন্দুকৰ গুলি তেওঁৰ পিঠিৰে সোমাই বুকুৰে ওলাইছিল কিয়, অতিপাত নিচাগ্ৰস্ত অৱস্থাত নৃপেন্দ্ৰই নিৰ্ভুল ভাবে এই হত্যাকাণ্ড কৰিলে কেনেদৰে, বৰ্তমানৰ ৰজা জ্ঞানেন্দ্ৰৰ পুত্ৰ পাৰস হত্যা কাণ্ডৰ সময়ত নৃপেন্দ্ৰৰ লগতে আছিল; কিন্তু পাৰস ইমান অক্ষত অৱস্থাত থাকিল কেনেকৈ এথচ মৃত্যু হ'ল খুৰাক ধীৰেন্দ্ৰৰ । এই প্ৰশ্ন প্ৰহেলিকা হৈয়ে থাকিল সকলোৰে বাবে ।

পশুপতি মন্দিৰ পৱিত্ৰ বাগমতী নদীৰ তীৰত অৱস্থিত । মন্দিৰৰ পিচপিনে নদীৰ পাৰত মন্দিৰৰ লগত সংলগ্ন হৈ আছে শ্মশানখন । এখন পকী দলঙে মন্দিৰ, শ্মশান আৰু নদীৰ আনটো পাহাৰীয়া পাৰ সংলগ্ন কৰিছে । অসংখ্য পৰ্যটক, সাধু-সন্যাসীৰে ভৰি থাকে এই অঞ্চলটো । এটাৰ পিছত আনটো মৃতদেহৰ সৎকাৰ্য চলিয়ে থাকে । এনে লাগে যেন অসংখ্য ভক্তপ্ৰাণ ব্যক্তিয়ে হোম-যজ্ঞৰ কাৰ্য নিৰীক্ষণ কৰি আছে । অভিশপ্ত ৰাজ পৰিয়ালটোৰ মৃত সদস্যসকলৰ মৃতদেহবোৰো বাগমতী নদীৰ তীৰৰ সেই ঐতিহ্যমণ্ডিত শ্মশানখনতে সৎকাৰ কৰিছিল ।

আৰু অলপ পিছতে আপোনালোকে ইম্ফল পাব — বিমান পৰিচালিকাগৰাকীৰ কণ্ঠস্বৰ মাইক্ৰফ'নত ভাহি আহিল । পাহাৰীয়া ৰাজ্য মণিপুৰৰ ৰাজধানী ইম্ফল । ৰং-বিৰঙৰ সাজ পৰিধান কৰা মানুহবোৰ অতি পৰিপাতি । বজাৰ-ঘাট, দোকান-পোহাৰবোৰৰ অৱস্থান অতি শৃঙ্খলাপূৰ্ণ । চীন, জাপান,থাইলেণ্ড আদি দেশৰ পৰা অহা সামগ্ৰীৰে দোকানবোৰ ভৰি থাকে । ইম্ফল এতিয়া সকলোৰে বাবে নিৰাপদ ঠাই হৈ থকা নাই । কেইবাজনো অমণিপুৰী ব্যৱসায়ীলোক লগ পাইছিলোঁ, যিসকলে ইম্ফল ত্যাগ কৰিবলৈ সাজু হৈ আছিল । ৰাস্তাই-ঘাটে সাধাৰণতে অমণিপুৰীলোক চকুত নপৰে। গোটেই চহৰখন ভালদৰে ঘূৰি চাবলৈ বৰ মন আছিল ; কিন্তু আত্মীয় সকলে অনুমতি প্ৰদান নকৰিলে । মণিপুৰ ইমান ওচৰত অথচ ইমান দূৰৈত !

ভ্ৰমণ কালত য'লৈতে যোৱা নহওক কিয়, ঘৰলৈ ওভোতাৰ

সময়ত দাৰ্জিলিঙলৈ এবাৰ নগলে ভ্ৰমণেই অসমাপ্ত যেন লাগে । সেইবাৰ কুলু-মনালীলৈ যাওঁতে দীৰ্ঘদিন বাহিৰত থাকিব লগীয়া হোৱাত দাৰ্জিলিঙলৈ নগৈ দিল্লীৰ পৰাই এখন ট্ৰেনতে গুৱাহাটী পাইছিলোঁ । দিল্লীত আমি আছিলো পাহাৰগঞ্জ এলেকাত । নতুন দিল্লীৰ ৰেলষ্টেছনলৈ মাথোঁ পোন্ধৰ মিনিটৰ ৰাস্তা । ট্ৰেন দিল্লী এৰাৰ সময় নিশা আঠটা । আমি আটায়ে সাত বাজি ত্ৰিশ মিনিট যোৱাত হোটেলৰ বাহিৰ হৈছোঁ; এনেতে জানিব পাৰিলোঁ আমাৰ ট্ৰেন নতুন দিল্লী নহয় পুৰণি দিল্লীৰ পৰাহে এৰিব । পাহাৰগঞ্জৰ পৰা পুৰণি দিল্লীৰ ৰেল ষ্টেচনলৈ গাড়ীৰে আধা ঘণ্টাৰ বাট । এইখিনি সময়ৰ ভিতৰতে গৈ ৰেল ষ্টেচন পোৱা মুঠেই সম্ভৱ নহয়; কাৰণ এই সময়ত ষ্টেচনলৈ যোৱা পথত ভীষণ যানজঁট । বিশজন ছাত্ৰ-ছাত্ৰী প্ৰতিখন অট'ৰিক্সাত দুজন ছাত্ৰ আৰু এজনীকৈ ছাত্ৰী উঠি যিয়ে যেনেদৰে পাৰে তেনেদৰে ষ্টেচনলৈ যাবলৈ খৰখেদা লগালে । কোন কোন দিশেৰে ধাৱমান হ'ল কোনোৱে নাজানে, লক্ষ্য মাথোঁ ৰেলষ্টেচন । শেষত মিৰাজ খান, প্ৰণৱ শৰ্মা আৰু মই এখন অট'ৰিক্সাত উঠিলোঁ । হয়, কিছুদুৰ ৰাস্তা গৈ আৰু অট' আগুৱাব নোৱাৰে; সন্মুখত গাড়ী আৰু গাড়ীৰ অন্তহীন লানি । সময় আগবাঢ়িছে দ্ৰুত গতিত । দহমিনিট ৰেল এৰিবলৈ অথচ যানজঁটৰ প্ৰকোপত আগবঢ়া সম্ভৱ নহয় । যদিহে আমি ৰেল ধৰিব নোৱাৰোঁ বিশজনীয়া ছাত্ৰ-ছাত্ৰীসকলকলৈ কি কৰা যাব । আতঙ্কত শিঁয়ৰি উঠিলোঁ । মাজে মাজে অট'খনৰ পৰা নামি দৌৰি দৌৰি আগবাঢ়িবলৈ চেষ্টা কৰিলোঁ । প্ৰণৱ শৰ্মাই ক'লে সময় হ'ল — আঠটা বাজিল । ঘড়িটোলৈ চালোঁ, নাই আৰু পাঁচ মিনিট সময় বাকী আছে আঠটা বাজিবলৈ । ঘড়ীটো ৰেডিঅ'ৰ সময়ৰ লগত মিলাই থোৱা আছিল । অট'চালকজনে আন এটা ৰাস্তাৰে যাবলৈ অট' ঘূৰালে । নাই, কিছু দূৰ গৈ আকৌ সেই প্ৰচণ্ড যানজঁট । অজান আশঙ্কাত কঁপিবলৈ ধৰিলো । অৱশেষত কিবাকৈ গৈ ষ্টেচন পালোঁ। আৰু দুই মিনিট সময়! ৰেল আছে ন নম্বৰ প্লেটফৰ্মত । দৌৰি দৌৰি প্লেটফৰ্ম পালোঁ। ট্ৰেনখন ৰৈ আছে তেতিয়াও । শুভাকাঙ্ক্ষী সকলে শেষ বিদায় দিছে যাত্ৰীসকলক । সন্মুখত দেখিলোঁ পিঠিত গধুৰ বেগটো লৈ অসংখ্য মানুহৰ মাজেৰে দীপাঞ্জলী দৌৰি আছে । কোনোবা এজনে দৌৰি আহি ক'লে — চাৰ এই ফালে । বিহ্বল কণ্ঠেৰে চিঞৰি উঠিলোঁ — ছোৱালীকেইজনী ? — আটাইকেইজনী আহিছে চাৰ । — ল'ৰা খিনি ?— আহিছে ।— ৰঞ্জিত ?— আহিছে চাৰ । ৰঞ্জিতৰ লগত টিকট খিনি আছে । ট্ৰেনৰ ডবাটোত ভৰি দিবলৈ ঠাই নোহোৱাকৈ যাত্ৰী উঠিছে । যেতিয়া ট্ৰেনত উঠিছোঁ তেতিয়ালৈ গাৰ কাপোৰ ঘামত সম্পূৰ্ণকৈ তিতি গৈছে । আমাৰ চিটবোৰ দখল কৰি থকা যাত্ৰীসকলক দাবি-ধমকি দি ইতিমধ্যে ৰঞ্জিত, গৌতমহঁতে আঁতৰাই পঠাইছে । চাৰ্টটো খুলি দি চিট এটাত দীঘল হৈ শুই পৰিলোঁ। হে ভগৱান, এক নিচ্ছিত বিপদৰ পৰা ৰক্ষা।

দিল্লী, আগ্ৰা, চণ্ডীগড়, চিমলা, কুলু, মনালী, কলকাতা, দাৰ্জিলিং, গেংটক, পোখৰা, কাঠমাণ্ডু-দেশৰে হওক বা চুবুৰীয়া দেশৰে হওক এই ঠাইবোৰ পৰ্যটনৰ সা-সুবিধাৰে পৰিপূৰ্ণ । দিন-ৰাতি পৰ্যটকেৰে ঠাইবোৰ উদুলি মুদুলি হৈ থাকে । কতো সংঘাত নাই, সংশয় নাই । পৰিতাপৰ কথা অসমৰ প্ৰতিচ্ছবি ইয়াৰ সম্পূৰ্ণ বিপৰীত । ভ্ৰমণ সমাপ্ত কৰি শিলিগুৰি পোৱাৰ লগে লগে আমাৰ বাবে যিটো খবৰ ৰৈ থাকে সেয়া হ'ল — অসম বন্ধ । দীঘলীয়া দুৰ্গা পূজাৰ বন্ধও সীমিত হৈ আহিল । লগে লগে ছাত্ৰ-ছাত্ৰীসকলক লৈ কৰা আমাৰ শিক্ষামূলক ভ্ৰমণৰো পৰিসমাপ্তি ঘটিল।

□□

# মানৱীয় মূল্য

মঞ্জিৰা শৰ্মা
প্ৰবক্তা, অসমীয়া বিভাগ

মানৱীয় মূল্য কি?

মানৱীয় মূল্য প্ৰধানতঃ পাঁচটা — সত্য, ধৰ্ম, শান্তি, প্ৰেম আৰু অহিংসা। এই পাঁচটা মূল্যৰ বিকাশ হোৱাৰ লগে লগে আন আনুসঙ্গিক মূল্যবোৰৰ বিকাশ আপোনা আপুনি হয় ।এই মূল্যবোৰ মানুহৰ সহজাত গুণ ।প্ৰত্যেক ব্যক্তিতে এই গুণবোৰ সুপ্ত অৱস্থাত থাকে ।পৰিবেশ, পৰিস্থিতি অনুযায়ী ইয়াৰ বিকাশ হয় ।

আজিৰ সমাজত মানৱীয় মূল্যৰ মূল্য নাই। সেইবাবে সমাজত ব্যভিচাৰ, অন্যায়, অত্যাচাৰ বৃদ্ধি পাইছে ।সুস্থ সমাজ এখন গঢ়িবলৈ হ'লে আমাৰ শিশু সকলৰ এই সুপ্ত গুণবোৰৰ বিকাশৰ ব্যৱস্থা কৰিব লাগিব ।

## সত্য কি ?

যি স্থায়ী, অপৰিবৰ্তনীয় সেয়ে সত্য ।পঞ্চভূতৰ দ্বাৰা গঠিত সকলো বস্তু পৰিবৰ্তনীয় ।বিশ্ব ব্ৰহ্মাণ্ডখনেই পঞ্চভূতৰ দ্বাৰা গঠিত। গতিকে বিশ্ব ব্ৰহ্মাণ্ডখনেই ক্ষণভঙ্গুৰ । আমাৰ শৰীৰটোও পঞ্চভূতৰে গঠিত । গতিকে আমাৰ শৰীৰটোও ক্ষণভঙ্গুৰ। পঞ্চভূতনো কি? পঞ্চভূত হ'ল ক্ষীতি, অপ্, তেজ, মৰুৎ আৰু ব্যোম ।অৰ্থাৎ মাটি, পানী, তাপ, বায়ু আৰু আকাশ । তেনেহ'লে স্থায়ী বা সত্য বস্তুটো কি? পঞ্চভূতৰ সৃষ্টি কৰ্তাই সত্য। গীতাত কৈছে

অবিনাশি তু তদ্বিদ্ধি যেন সৰ্বমিদং ততম ।
বিনাশ সব্যয় স্যাস্য ন কশ্চিৎ কৰ্তুমহতি ।।

(যি এই সমগ্ৰ জগত পৰিব্যাপ্ত হৈ আছে তাকেই অবিনাশী আত্মা (বা ব্ৰহ্ম) বুলি জানিবা । কোনেও এই অব্যয় আত্মাক বিনাশ কৰিব নোৱাৰে)।

গতিকে দেখা গ'ল আত্মাহে স্থায়ী অৰ্থাৎ সত্য। এই সত্য মানুহ আৰু আন সকলো প্ৰাণীতে আত্মাৰূপে বৰ্তমান ।এই সম্পৰ্কেও গীতাই এইদৰে কৈছে —

মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ ।

(ভগৱান কৃষ্ণই অৰ্জুনক কৈছে — যে সংসাৰত কৰ্তাভোক্তা ৰূপে প্ৰসিদ্ধ জীৱ মোৰেই সনাতন অংশ) ।

গতিকে মানুহে সত্যক উপলব্ধি কৰিবলৈ সত্যৰ আশ্ৰয় ল'ব লাগে ।

## ধৰ্ম কি ?

সৃষ্টি কৰ্তাই বিশ্বব্ৰহ্মাণ্ড সৃষ্টি কৰোঁতে সকলো উপাদনকে সুচাৰুৰূপে নিজৰ কাম কৰিবলৈ কিছুমান নিয়ম বান্ধি দিছে ।এই নিয়মবোৰ পালন কৰাটোৱে উপাদান সমূহৰ ধৰ্ম। যেনে সূৰ্যৰ কাম তাপ আৰু পোহৰ বিকীৰণ কৰা। চন্দ্ৰৰ কাম শীতল পোহৰ দিয়া । বৰষুণৰ কাম পৃথিৱী সাৰুৱা কৰি শস্য উৎপাদনত সহায় কৰা। নদীৰ ধৰ্ম খেতি পথাৰত পলস পেলোৱা আৰু সাগৰত লীণ যোৱা ।বিবেক বুদ্ধি সম্পন্ন মানুহৰ ধৰ্ম হ'ল অমূল্য মানৱ জীৱনৰ উদ্দেশ্য সাধনৰ কাৰণে অহৰহ চেষ্টা কৰা ।মানৱ জীৱনৰ উদ্দেশ্যনো কি ? মানুহৰ জীৱনৰ উদ্দেশ্য হ'ল মানুহ ৰূপত ক্ষন্তেকীয়া জীৱন কালত মানৱীয় মূল্যবোৰৰ বিকাশ সাধন কৰি, মানৱীয় কৰ্তব্য কৰি মানুহ য'ৰ পৰা আহে সেই উৎসলৈ গতি কৰি উৎসত মিলি যোৱা। অৰ্থাৎ পৰমাত্মাৰ লগত মিলি যোৱা এয়ে হ'ল মানৱীয় ধৰ্ম ।

## শান্তি কি ?

শান্তি বজাৰত কিনিব পৰা বস্তু নহয় । শান্তি কোনেও দিব নোৱাৰে ।শান্তি নিৰ্ভৰ কৰে কোনো এজন ব্যক্তিৰ নিজৰ ওপৰত। শান্তি লাভ কৰিবলৈ হ'লে মনটোক নিয়ন্ত্ৰণ কৰিব লাগিব । পাৰ্থিৱ সুখ সম্ভোগৰ পিছে পিছে দৌৰিলে শান্তি পোৱা নাযায় ।পাৰ্থিৱ সুখ শান্তি ক্ষণ স্থায়ী ।আধ্যাত্মিক পথ অনুসৰণ কৰিলেহে পৰম শান্তি লাভ কৰিব পৰা যায় ।শান্তি বিচৰা মানুহ শীত, তাপ, সুখ-দুখ আদিক সমভাৱে বহন কৰিব পৰা হ'ব লাগিব অৰ্থাৎ গীতাত কোৱাৰ দৰে দ্বন্দ্বাতীত হ'ব লাগিব । গীতাৰ ভাষাত স্থিতপ্ৰজ্ঞ ব্যক্তিয়েহে পৰম শান্তিৰ অধিকাৰী ।(স্থিতপ্ৰজ্ঞ — যি সুখ দুখ সকলোতে নিৰ্বিকাৰ)

## প্ৰেম কি ?

যি প্ৰেমত স্বাৰ্থ জৰিত থাকে সেই প্ৰেম প্ৰকৃত প্ৰেম নহয়। ভগৱৎ প্ৰেমহে প্ৰকৃত প্ৰেম। আজি কালি কোনোৱে কাৰোবাৰ কিবা এটা উপকাৰ কৰি দিলে তাৰ প্ৰতিদান আশা কৰে । প্ৰতিদান আশা কৰা কামটো নিঃস্বাৰ্থ প্ৰেমৰ আধাৰত কৰা কাম নহয় ।নিস্কাম কৰ্মহে প্ৰকৃত নিঃস্বাৰ্থ প্ৰেমৰ আধাৰত কৰা কৰ্ম । আমি ভগৱানক পূজা কৰোঁ, প্ৰাৰ্থনা কৰোঁ, তাতো যদি স্বাৰ্থৰ গোন্ধ থাকে, সিও ভগৱানৰ প্ৰতি প্ৰকৃত প্ৰেমৰ আধাৰত কৰা প্ৰাৰ্থনা নহ'ব ।ই হ'ব Part time

bussiness ৰ দৰে । অৰ্থাৎ "তোমাক মই পূজা কৰিম, তুমি মোক মই বিচৰা বস্তু দিব লাগিব" । এনেকুৱা প্ৰাৰ্থনাত ভগৱানে সঁহাৰি নিদিয়ে । সম্পূৰ্ণ শৰণাগত হৈ প্ৰাৰ্থনা কৰিলেহে তেনে নিঃস্বাৰ্থ প্ৰেমৰ প্ৰতি ভগৱানে সঁহাৰি দিব।

অহিংসা ঃ

মানুহৰ অজ্ঞতাৰ কাৰণে হিংসা দ্বেষ আদিৰ উদ্ভৱ হয় । অজ্ঞতা মানে দ্বৈতভাৱে থকা, দেহাভিমান থকা । অৰ্থাৎ আমি দেহটোকে মই বুলি ভাৱোঁ । কিন্তু দেহটো মই নহয় । মই বেলেগ । আমি নকওঁ নে মোৰ গাটো বেয়া লাগিছে বুলি ? গাটো মোৰ । তাৰ মানে মই গাটোৰ পৰা বেলেগ । সেই মইটো হ'ল আত্মা । আত্মা সত্য, অবিনাশী । কিন্তু শৰীৰটো অস্থায়ী । আমি অস্থায়ী বস্তুৰ প্ৰতি মোহগ্ৰস্ত হৈ অৰিষদবৰ্গৰ অধীন হৈ পৰোঁ । অৰিষদবৰ্গ হ'ল কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য। এই শত্ৰুবোৰৰ পৰা ৰক্ষা পাবলৈ হ'লে বিষয় বাসনা ত্যাগ কৰিব লাগিব । সকলো প্ৰাণীতে ভগৱৎ দৰ্শন কৰিব লাগিব । ভগৱান সৰ্ব্বব্যাপী, সৰ্ব্বশক্তিমান । আমি 'সোহম' মন্ত্ৰৰ অৰ্থ বুজিব লাগিব । 'সো' মানে তেওঁ (ভগৱান) 'হম' মানে মই অৰ্থাৎ সোহম মানে তেৱেঁই মই, ময়েই তেওঁ । এই অনুভূতি যদি আহে কাকো সিংসা কৰাৰ প্ৰশ্নই নুঠে ।

এসময়ত ভগৱান বুদ্ধই ঘূৰি ফুৰোঁতে এখন গাঁওৰ এটা মন্দিৰত পূজাৰ আয়োজন কৰা দেখিলে আৰু দেখিলে তাত পশু বলি দিয়াৰো আয়োজন কৰিছে । বুদ্ধই পুৰোহিতক সুধিলে, "এই পশুটোক কিয় অনা হৈছে ।" পুৰোহিতে ক'লে "বলি দিবলৈ ।" বুদ্ধই সুধিলে "কিয় বুলি দিব লাগে ?" পুৰোহিতে ক'লে "পশুটোৱে মুক্তি পাব ।" বুদ্ধই ক'লে, "পশুটোৱেতো মুক্তি বিচৰা নাই ! পশুটোক কিয় বলি দিব লাগে ? সেয়ে যদি হয়, তোমাৰ পিতৃ-মাতৃ আত্মীয় স্বজনে মুক্তি বিচাৰি আছে, তেওঁলোকক বলি নিদিয়া কেলেই ? তাতোকৈ বেছি ভাল কথা হ'ব তুমি নিজে বলিশালত ডিঙি পাতি দিয়া । বলি বিধান বন্ধ কৰা । পশুবলি দিয়া মহাপাপ ।" এয়ে অহিংসাৰ নিদৰ্শন, ভগৱান বুদ্ধই দেখুৱাই গৈছে । কেৱল আনক আঘাট দিলেহে যে হিংসা কৰা হয় এনে নহয়, নিজকো নিজে হিংসা কৰিব নালাগে । Anything done beyond limits is violence. সীমা বহিৰ্ভূত সকলো কাম হিংসাত পৰিণত হয় । যেনে — অদকাৰী কথা কোৱা, জোখতকৈ বেছি খোৱা, সহ্য কৰিব পৰাতকৈ বেছি কাম কৰা - এইবিলাক নিজক হিংসা কৰা কাম । এনেকুৱা কামৰ পৰা বিৰত থকাটো অহিংসা । So,non- violence can be defined as the regulation of human life along moderate and beneficial paths. শৰীৰম্ আদ্যম্ খলু ধৰ্ম্ম সাধনম্ । ধৰ্ম সাধন কৰিব লাগিলে শৰীৰটো নিৰোগী কৰি ৰখাটো অতি আৱশ্যক ।

এতিয়া কথা হ'ল বৰ্তমান যুগত আমি সকলোৱেতো পশুত পৰিণত হৈ আছোঁ । আমি যদি প্ৰকৃত মানুহ হ'ব খোঁজো তেনেহ'লে আমাৰ মানৱীয় মূল্য সম্পৰ্কে সম্যক জ্ঞান হ'ব লাগিব আৰু সেইবোৰৰ বিকাশ ঘটাবলৈ যত্ন কৰিব লাগিব । তাৰ বাবে আমি সাধনা আৰম্ভ কৰিব লাগিব । দৈনন্দিন জীৱনত এইবোৰৰ অভ্যাস কৰিব লাগিব। অভ্যাস কৰিব কেনেকৈ আৰম্ভ কৰিব ? তাৰ আৱশ্যকীয় কথা হ'ল ভগৱানৰ প্ৰতি দৃঢ় বিশ্বাস । কোনোবাই প্ৰশ্ন কৰিব পাৰে ভগৱাননো ক'ত আছে ? আমিতো দেখা নাপাওঁ। গাখীৰত জানো আমি মাখন দেখা পাওঁ। গাখীৰত যেনেকৈ মাখন আছে তেনেকৈ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো অণু পৰমাণুতে ভগৱান ব্যাপ্ত হৈ আছে । গাখীৰত মাখন থকা কথাটো আমি যেনেকৈ অনুভৱ কৰোঁ তেনেকৈ ভগৱানকো অনুভৱহে কৰিব পাৰি, দেখা পোৱা নাযায় । বিশ্বাসৰ উপৰিও কৰ্তব্য পৰায়ণতা, দৃঢ়তা, বিবেক বুদ্ধি অৰ্থাৎ ভাল বেয়া বিচাৰ কৰিব পৰা শক্তিৰ প্ৰয়োগ, অনুশাসন মনা — এইবোৰক আহিলা হিচাপে গ্ৰহণ কৰিব লাগিব। জ্যেষ্ঠসকলে কনিষ্ঠসকলৰ আদৰ্শ হ'ব লাগিব।

তদুপৰি আধ্যাত্মিক সাধনা, যেনে —মৌনতা, প্ৰাৰ্থনা, কীৰ্তন, সৎসঙ্গ আৰু নিঃস্বাৰ্থ সেৱাত ব্ৰতী হ'ব লাগিব । তেতিয়া নৈতিক উৎকৰ্ষ সাধন হ'ব আৰু সপ্ত মানৱীয় মূল্যবোৰ বিকশিত হ'ব আৰু এনেকুৱা লোকৰ দ্বাৰা যি সমাজ গঠিত হ'ব সেই সমাজ এখন সুস্থ সমাজত পৰিণত হ'ব ।

□□

# মানৱতা
## (ৰেনেচাৰ পৰা হেগেললৈ)

দ্বিজেন্দ্ৰ নাথ দাস
উপাধ্যক্ষ আৰু মুৰব্বী অধ্যাপক
বুৰঞ্জী বিভাগ

আদিম মানুহৰ সভ্যতাৰ ধাৰাবাহিক ইতিহাস পোৱা সম্ভৱ নহয় । অৱশ্যে পৃথিৱীৰ বিভিন্ন প্ৰান্তত প্ৰাচীন কালৰ যিবোৰ ধ্বংসাৱশেষ পোৱা গৈছে তাৰ পৰা আদিম মানুহৰ জীৱন-যাত্ৰা সম্বন্ধে এটি আনুমানিক ধাৰণা ল'ব পাৰি । সভ্যতাৰ আদি স্তৰত আছিল মানুহৰ দলবদ্ধ জীৱন যাত্ৰা । খাদ্য সংগ্ৰহ আৰু জীৱ-জন্তুৰ আক্ৰমণৰ পৰা পৰিত্ৰাণৰ তাগিদাত মানুহে যৌথ জীৱন যাত্ৰা গ্ৰহণ কৰিবলৈ বাধ্য হয় । নিজৰ আত্ম ৰক্ষাৰ বাবে আদিম মানুহে আত্ম ৰক্ষাৰ হাতিয়াৰ গঢ়াৰ কৌশল শিকে । এই অস্ত্ৰবিলাকৰ পৰা আদিম মানুহৰ জীৱন প্ৰকৃতিৰ সন্ধান পাব পাৰি আৰু ব্যৱহৃত অস্ত্ৰৰ পৰা পণ্ডিতসকলে অতি প্ৰাচীন কালৰ সমাজৰ ক্ৰম বিকাশৰ ধাৰা উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় । সভ্যতাৰ আদি স্তৰত মানুহৰ মাজত শ্ৰেণী বিভাজনৰ চেতনা উদ্ভৱ হোৱা নাছিল । সমাজত সৃষ্টি হোৱা নাছিল মানুহৰ ব্যক্তিগত বিশেষ অধিকাৰ । খাদ্য সংগ্ৰহ কৰা হৈছিল সকলো ব্যক্তিৰ সম্মিলিত প্ৰচেষ্টাত আৰু সেই খাদ্য সকলোৱে মিলি ভোগ কৰিছিল । তাত ধনী-দুখীয়া, মালিক বা দাসৰ স্তৰ নিৰ্দ্ধাৰিণ হোৱা নাছিল । কিন্তু এই স্থবিৰ সমাজ ব্যৱস্থাত ক্ৰমে ক্ৰমে পৰিবৰ্তনৰ গতি প্ৰৱাহিত হ'বলৈ ধৰে কিছুমান ঐতিহাসিক কাৰণত । লাহে লাহে মানুহে যাযাবৰী জীৱন প্ৰক্ৰিয়া পৰিত্যাগ কৰি স্থায়ী ভাৱে কৃষিকাৰ্য সম্পাদন কৰিবলৈ ধৰে আৰু উৎপাদন ব্যৱস্থাৰ লগত সমাজৰ চেহেৰা আৰু সভ্যতাৰ ৰূপান্তৰ হ'বলৈ ধৰে । যদিও প্ৰাক-সভ্য সমাজৰ মৌলিক গাঁঠনি আছিল মানুহৰ মিলিত পৰিশ্ৰমৰ ফলশ্ৰুতি । কিন্তু কৃষি আৰু উৎপাদন আহিলাৰ পৰিবৰ্তনৰ লগে লগে সমাজ ব্যৱস্থাৰ পৰিবৰ্তন হয় আৰু এক শ্ৰেণী শক্তিশালী মানুহৰ হাতত ধন সঞ্চয় হ'বলৈ ধৰে । এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে সাধাৰণতে উন্নতৰ সমাজ ব্যৱস্থা গঢ়ি উঠিছিল এছিয়া আৰু আফ্ৰিকাৰ প্ৰকাণ্ড নদী বিলাকৰ পলসুৱা উপত্যকাত । এই অঞ্চলসমূহত এক ধৰণৰ নতুন সমাজ জীৱন বিকাশ হবলৈ ধৰে ক্ৰমে ইজিপ্তৰ নীল , ইৰাকৰ টাইগ্ৰীচ, ভাৰতৰ সিন্ধু আৰু গঙ্গা নদীৰ উপত্যকাত । এইদৰে মানৱ সমাজত সভ্য সমাজৰ বিকাশ হয় । এই অঞ্চলসমূহত গঢ় লোৱা মানুহৰ জীৱন পূৰ্বৰ দৰে স্থবিৰ নাছিল। সমাজ জীৱনত আৰ্থিক ব্যৱস্থাৰ পৰিবৰ্তনে আনি দিছিল ব্যক্তিগত সম্পত্তিৰ অধিকাৰ আৰু শাসন শোষণ ব্যৱস্থাৰ বজ্ৰ মুঠি । ফলত সভ্যতাৰ মৌলিক গাঁথনিত বিৰাজ কৰে শ্ৰেণী বিৰোধ । এক শ্ৰেণীৰ মানুহে সম্পত্তিৰ ওপৰত মালিকানা চৰ্ত প্ৰতিষ্ঠা কৰি দৰিদ্ৰ শ্ৰেণীটোৰ ওপৰত অধিকাৰ আৰু আধিপত্য স্থাপন কৰে । এই আধিপত্য আৰু প্ৰভুত্বক সুৰক্ষাৰ বাবে স্বৰ্গ সুখৰ মৰীচিকাৰ প্ৰতিশ্ৰুতি দাঙি ধৰে দৰিদ্ৰ শ্ৰেণীটোৰ সন্মুখত । অৱশ্যে নিপীড়িত শ্ৰেণীটোৰ জীৱন ধাৰাতো সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ প্ৰভাৱ অনুভূত হ'বলৈ ধৰে । প্ৰাচীন আদিম সমাজ ব্যৱস্থাৰ স্থবিৰতাৰ অবসান ঘটাৰ পিচত ইউৰোপত লাহে লাহে সভ্য আৰু গতিশীল সমাজ ব্যৱস্থা গঢ় ল'বলৈ ধৰে । গ্ৰীক আৰু ৰোমত সম্পদ শালী শ্ৰেণীটোৱে নিজৰ সামাজিক অৱস্থান শক্তিশালী কৰিবলৈ ধৰে প্ৰচলিত দাস ব্যৱস্থাক কেন্দ্ৰ কৰি। আচলতে গ্ৰীক আৰু ৰোমান সভ্যতাৰ বিকাশৰ মূলতে আছিল দাসসকলৰ অমানৱিক পৰিশ্ৰম আৰু এই অমানৱিক শ্ৰম আত্মসাৎ কৰি গঢ়ি তোলা হয় সুবিখ্যাত সভ্যতা । দাস শ্ৰেণীটো আছিল প্ৰভুসকলৰ ব্যক্তিগত সম্পত্তি আৰু কৃষি সামগ্ৰীৰ দৰে তেওঁলোকক কিনা বেচা হৈছিল । দাসসকলৰ প্ৰতি সম্পদশালী শ্ৰেণীটোৱে কোনো ধৰণৰ মানৱিক দয়া-মমতা প্ৰদৰ্শন কৰা নাছিল । সভ্যতাৰ ৰূপান্তৰৰ লগে লগে গ্ৰীক আৰু ৰোমৰ সম্পদশালী শ্ৰেণীটোৰ বদ্ধমূল ধাৰণা উপজিল যে মানৱ সভ্যতাৰ আৰু ঈশ্বৰৰ প্ৰতিনিধি হ'ল তেওঁলোক । গতিকে উন্নত আৰু আৰামদায়ক জীৱন তেওঁলোকৰ প্ৰাপ্য । এই আৰামদায়ক জীৱন ধাৰণৰ ব্যৱস্থাটোক সচল আৰু সক্ৰিয় কৰি ৰখাৰ বাবে দাস শ্ৰেণীটোৰ দৈহিক পৰিশ্ৰম কৰাটো অপৰিহাৰ্য কৰ্তব্য । আচলতে সেই যুগৰ সমাজ ব্যৱস্থাটি শোষণৰ ওপৰত গঢ়ি উঠে সকলো দেশত । মাত্ৰ পাৰ্থক্য হ'ল শোষণৰ ভিন্ন ভিন্ন ৰূপ । ফলত সামন্ত ব্যৱস্থাত মানুহৰ মানৱিক

প্ৰমূল্য, মৰ্যাদা, মৰ্ম আৰু সুখ-স্বাচ্ছন্দ বৰ্ণাতীত ভাৱে অধঃপতিত হয়। কিন্তু এই অমানৱিক প্ৰমূল্যৰ অধঃপতনৰ মাজতো একশ্ৰেণীৰ মানৱতাবাদী মানুহে মানুহৰ মৰ্মভেদী কৰুণ অৱস্থাৰ অনুধাৱন কৰি মৰ্মাহত হয় আৰু তেওঁলোকৰ মুক্তিৰ পথ বিচৰাত মনোনিৱেশ কৰে। সামন্ত প্ৰথাৰ ওপৰত ভেটি কৰি সমাজখন গঢ়ি উঠিলেও মানৱতাৰ মূল্যসমূহে একশ্ৰেণী মানুহৰ মানসিতাত দোলা দিছিল। সেই তথ্যৰ অভিব্যক্তি পোৱা যায় সেই যুগৰ অসংখ্য লিপি, লোককথা, শিল্প উপাদানৰ মাজত। এই মানৱতাবাদী মানুহখিনিয়ে উপলব্ধি কৰিছিল যে এক মাত্ৰ যৌথ সংগ্ৰামৰ মাজেদি শোষিত শ্ৰেণীটোৱে নিজৰ মুক্তিৰ পথ উলিয়াব পাৰে। এই ধাৰণাৰ উল্লেখ পোৱা যায় কিছুমানলোক সাহিত্যত। "The meek live in safety but they are slaves patience often insulted turn to fury. Evil is the man who is good only unto himself is justly likened in to dead man." সাম্যৰ ধাৰণা, দাসত্বৰ পৰা মুক্তি, মানৱিক মূল্যবোধ, শ্ৰমৰ মৰ্যাদা ইত্যাদি প্ৰমূল্যবোধে দাসসকলক প্ৰবলভাৱে প্ৰভাৱান্বিত কৰিছিল। ফলশ্ৰুতিত দাস ভিত্তিক সমাজ ব্যৱস্থাক প্ৰত্যাখান জনাবলৈ নিষ্পেষিত দলিত শ্ৰেণীটোৱে অনুপ্ৰেৰণা লাভ কৰিছিল। সেয়ে স্পাটাকাচৰ নেতৃত্বত দাসসকলে বিদ্ৰোহৰ নিচান তোলে। এই বিদ্ৰোহ আৰম্ভ হয় ৭৩ খৃঃ পূঃ ত আৰু সমাপ্তি হৈছিল ৭১ খৃঃ পূঃত। অৱশ্যে স্পাটাকাচৰ বিদ্ৰোহ মষিমূৰ কৰি দিলেও মানৱতাৰ বাবে সংগ্ৰাম কৰা মানৱতাবাদী সৈনিকসকলে আজিও এই সংগ্ৰামৰ পৰা অনুপ্ৰেৰণা লাভ কৰি আহিছে। এই অনুপ্ৰেৰণাৰ অভিব্যক্তি ঘটে premitive christianity ৰ মাজত। "Christanity was originally a movement of oppressed people, it first appeared as the religion of slaves and emanciputed slaves, of poor deprived of all rights, of people subjugated or dipersed by Rome (on history of early christianity by Engles) নিষ্পেষিত সমাজ ব্যৱস্থাৰ আধাৰত গঢ় লোৱা premitive christianity ৰ মৌলিক গাঁথনি আছিল গণতান্ত্ৰিক আৰু মানৱীয় প্ৰমূল্যৰে ভৰপূৰ। যদিও ইয়াৰ অভিব্যক্তি ধৰ্মীয় প্ৰভাৱৰ দ্বাৰা ভাৰক্ৰান্ত আছিল। তাৰ উপৰিও ই আছিল শোষণৰ ওপৰত প্ৰতিষ্ঠিত সমাজ আৰু সম্পত্তিৰ বৈষম্যৰ ব্যৱস্থাৰ দুৰ্ধৰ বিৰোধী। এই ভাবধাৰা সুন্দৰ পৰিষ্কাৰ ভাৱে পৰিস্ফুত হৈছে New stament ৰ প্ৰাচীন অধ্যায়সমূহত। কিন্তু উৎপাদন আৰু উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত খৃষ্টান ধৰ্ম পূৰ্বৰ মনৱতাবাদী মৰমী ভাবধাৰাৰো পৰিবৰ্তন হয়। এইটো পাহৰি গ'লে নহ'ব। Premitive christianity ত মানৱতাবাদী প্ৰমূল্যসমূহ প্ৰকাশ কৰা হৈছিল ৰহস্যময়ী ধাৰাত (Mystical form) আৰু ভবা হৈছিল যে মানুহে সেই প্ৰমূল্যসমূহ অৰ্জন কৰিব পাৰিব এটি অতি মানৱীয় শক্তিৰ হস্তক্ষেপৰ দ্বাৰা। প্ৰথম অৱস্থাত খৃষ্টান ধৰ্মৰ সামাজিক সাম্যৰ ভিত্তি আছিল সকলো মানুহ ঈশ্বৰৰ ওচৰত সমানে পাপী। কিন্তু লাহে লাহে এই ধৰ্মৰ ভিত্তি শক্তিশালী হোৱাৰ লগে লগে খৃষ্ট ধৰ্ম হৈ পৰে যাজক আৰু শাসক শ্ৰেণীৰ হাতিয়াৰ। "The social principle of christianity declare all vile acts of the oppressors against the oppressed to be either tue just punishment of original sin and other sins or trials that Lord in his infinite wisdom imposes on those redeemed." (On religion by Marx and Engels) সামন্তবাদী অৱস্থাত শোষিত শ্ৰেণীটো সামাজিক পিৰামিডৰ তলত চেপা খাই থাকিলেও মুক্তিৰ পথৰ সন্ধানত তেওঁলোকৰ মানৱীয় আৱেদন সমূহ ফুটি উঠে লোক কলা (Folk art) মাজেদি। এই লোক কলা আৰু সাহিত্যই যাজক বা পুৰোহিত শ্ৰেণীৰ গোড়ামী আৰু ভুৱা স্বৰ্গৰ আশ্বাসৰ বিপৰীতে গুৰুত্ব দিয়ে বাস্তৱ জীৱন আৰু বাস্তৱ অৱস্থাৰ ওপৰত। এই সাহিত্যৰাজিত পৰিস্ফুত হৈছে শ্ৰমজীৱী মানুহৰ বন্দনা, তেওঁলোকৰ কৰ্ম শক্তি, সাহস, হৃদয়ৰ মহত্ব। ইয়াৰ দ্বাৰা অনুপ্ৰাণিত সমগ্ৰ মধ্য যুগটিত শোষিত দৰিদ্ৰ শ্ৰেণীটোৱে সামন্তবাদী পৈশাচিক শোষণ আৰু দাস ব্যৱস্থাৰ বিলোপৰ দাবীত সংগ্ৰাম গঢ়ি তুলে। একাদশ আৰু দ্বাদশ শতিকাত এশ বছৰীয়া ৰণ (1337-1453), ফ্ৰান্সৰ কৃষক বিদ্ৰোহ আছিল মানবতাবাদী দৃষ্টিভংগীৰ প্ৰত্যক্ষ প্ৰতিফলন। গতিকে দেখা যায় যে বুৰ্জোৱা মানৱতাৰ প্ৰবক্তাসকলে মানৱতাৰ মঞ্চত প্ৰৱেশ কৰাৰ আগতে শ্ৰমজীৱী দৰিদ্ৰ শ্ৰেণীটোৱে সুখ, স্বাধীনতা আৰু সাম্যৰ দাবী তোলে। এইদৰে তেওঁলোকে সংগ্ৰাম আৰু প্ৰতিবাদৰ মাজেদি খৃষ্টধৰ্মৰ বহু প্ৰচলিত ধাৰণাৰ ওপৰত আঘাত হানে আৰু মানুহক শিকনি দিয়ে যে মাত্ৰ স্বৰ্গৰ সুখৰ অন্তহীন মিছা প্ৰতীক্ষাত থকাতকৈ বৰ্তমান অৱস্থাৰ উন্নতি বিচৰাটোৱে শ্ৰেয়। এই সংগ্ৰামী মানসিকতাই তেওলোকক আনি দিয়ে মৰ্যাদাৰ নতুন দিগন্ত আৰু মনৱতাবাদী চিন্তা নায়ক সকলৰ ওপৰত প্ৰভাৱ পেলায়। আচলতে মধ্য যুগীয় সমাজতে ব্যক্তিৰ স্বতন্ত্ৰ কোনো স্বীকৃতি লাভ অনুপস্থিত। উচ্চতৰ কোনো শক্তিৰ নিৰ্দেশ নিৰ্বিচাৰে মানি চলাতো ব্যক্তিৰ কৰ্তব্য। ঈশ্বৰ অথবা ঈশ্বৰ পুত্ৰ যীশুৰ পৰা চেন্ট পিটাৰ, তাৰ পিচত পোপ, তাৰ পিচত কাৰ্ডিনেল অচিবিচপ সম্ৰাট-ৰজা-ভূস্বামী, এইদৰে উচ্চতৰ শক্তি ঢাপে ঢাপে জনজীৱনক সকলো স্তৰতে নিয়ন্ত্ৰণ কৰে। এই প্ৰাধিকাৰকেন্দ্ৰিক সমাজ ব্যৱস্থা আৰু জীৱন দৰ্শনৰ অত্যাচাৰৰ পৰা মুক্তি কৰাৰ প্ৰতিশ্ৰুতি লৈ ৰেনেচাৰ ভাৱ ধাৰাৰ উপস্থিত হয়।

মধ্য যুগৰ সাম্ৰাজ্য, চাৰ্চ আৰু গীৰ্জাৰ গ্লিডৰ কঠিন শৃঙ্খল বাহু

বন্ধৰ পৰা ব্যক্তিত্বৰ মুক্তি আৰু পূৰ্ণ প্ৰকাশ, যশ, দেশপ্ৰেম, যুক্তিবাদ, সুগঠিত ৰাষ্ট্ৰৰ পৰিকল্পনা, ধৰ্ম নিৰপেক্ষতা, সংশয়বাদ (General spirit of doubt) আদি ৰেনেচাৰ মাজত বিশ্লেষণ কৰা হয়। ৰেনেচাৰ লগত মধ্য যুগৰ চৰিত্ৰগত মৌলিক পাৰ্থক্য আছে। "In the middle ages both sides of human consiousness lay dreaming or half awake beneath a common veil. The veil was woven of faith, illusion and childish prepossession..... In Italy this veil was melted into air......... ban I aid upon him personality was dissolved" ইটালীৰ ৰেনেচাক মৰুভূমিৰ ৰুক্ষ আৰু তপত বালিত হঠাৎ পৰিস্ফুট হোৱা ফুলৰ লগত তুলনা কৰিব পাৰি ইহ'ল 'The Discovery of the world and of man'। জীৱনৰ প্ৰতি গভীৰ মমতা হ'ল ৰেনেচাৰ মৰ্ম বাণী এক আধ্যাত্মিক ব্যক্তি পুৰুষ। মধ্যযুগীয় ধৰ্মীয় ভাবধাৰাৰ বিপৰীতে ৰেনেচাৰ মানুহ হ'ল নিজৰ ভাগ্য নিয়ন্তা "Neither heavenly nor earthly, neither mortal or immortal are we ......... thou (man) art the moulder and maker of thyself"। প্ৰোটাগোৰচৰ বিখ্যাত উক্তি "মানুহেই সভ্যতাৰ সকলো স্তৰৰ মানদণ্ড। পেৰিনি পেৰিক্লিচৰ সমাধি ভাষণত এথেনিয়া নগৰ ৰাষ্ট্ৰৰ যি আদৰ্শ ৰূপটি প্ৰতিফলিত হৈছে, ব্যক্তি স্বতন্ত্ৰতা তাৰ কেন্দ্ৰ বিন্দু। এই বলিষ্ঠ প্ৰত্যয়ৰ অবিহনে গ্ৰীক গণতন্ত্ৰ, গ্ৰীক ভাস্কৰ্য আৰু গ্ৰীক নাট্যই কেতিয়াও পূৰ্ণাংগ ৰূপ নাপালেহেঁতেন। ৰেনেচাৰ শিল্পী আৰু মনীষীসকলে শতাব্দী জুৰি মধ্যযুগৰ পৰিৱেশে অৱৰুদ্ধ কৰি ৰখা গ্ৰীক সভ্যতাৰ উত্তৰাধিকাৰ সকলক উদ্ধাৰ কৰে। তেওঁলোকে অনুভৱ কৰে যে মানুহ আচলতে দৈব্য বা প্ৰকৃতিৰ খেলৰ পুতুলা নহয়, মানুহ নিজে নিজৰ ভাগ্য নিয়ন্তা বা ভাগ্যবিধাতা আৰু আৱিষ্কাৰ কৰিলে যে মানুহে নিজৰ কল্পনা আৰু প্ৰয়াসৰ সহায়ত বিচিত্ৰ-ভাবে গঢ়ি তুলিব পাৰে নিজক। ৰেনেচাৰ মনীষী পিকো দেলা মিৰান্দোলাৰ ভাষাত ক'বলৈ গ'লে বিশ্ব ব্ৰহ্মাণ্ডৰ মানুহেই একমাত্ৰ জীৱ যাৰ অস্তিত্বৰ বিকাশৰ ধাৰা পূৰ্ব নিৰ্দ্ধাৰিত নহয়, যাৰ ৰূপান্তৰৰ ক্ষমতা অপৰিসীম, যি অনিবাৰ্য ভাবে স্বতন্ত্ৰ আৰু অনন্য। ৰেনেচাৰ মনীষীসকলে অভিজ্ঞতা সঞ্চয় কৰিয়েই ক্ষান্ত থকা নাছিল, সেই অভিজ্ঞতাক নিজৰ কল্পনা অনযায়ী সঠিক ৰূপ দিবলৈও সমৰ্থ হৈছিল। উৎকৰ্ষতাৰ মহৎ আকাংক্ষাই নিয়তিৰ লগত যুঁজিবলৈ তেওলোকক সাহস দিছিল আৰু পৰাজিত হ'লেও কেতিয়াও নতি স্বীকাৰ নকৰা অফুৰন্ত সাহস আছিল। সেয়ে মিকেলঞ্জলোৰ ডেভিডৰ ষোল ফুট মাৰ্বল মূৰ্তি টোৱে দীপ্ত আৰু বলিষ্ঠভাবে হয়তো ভাগ্যক প্ৰত্যাবান জনাইছে "Man can do all things if they will"।

ৰেনেচা যুগৰ মানুহৰ চিন্তা, বুদ্ধিমত্তা আৰু ব্যক্তিত্ববাদৰ সম্প্ৰসাৰণ বিশেষ বিশেষত্ব। অৱশ্যে এই ধাৰণাবিলাক যুগৰো সাধাৰণ লক্ষণ। আচলতে বুৰ্জোৱা যুগৰ প্ৰমূল্য হঠাৎ উদ্ভৱ হোৱা নাই। ই এটা সুদীৰ্ঘ সমাজ ব্যৱস্থাৰ পৰিক্ৰমাৰ বিকাশ ধাৰা। ৰেনেচা যুগত সূচনা হয় বাণিজ্যিক বিপ্লৱ, বুৰ্জোৱা শ্ৰেণীৰ অভ্যুদয়, ধনতন্ত্ৰৰ সূচনা। ইছলামৰ অভিযান আৰু আধিপত্য বিস্তাৰত নগৰভিত্তিক ক্লাচিক সভ্যতাৰ অৱসান হয়। দশম শতিকাৰ শেষৰ পিনে বাণিজ্যৰ গতি উৰ্ধগামী হ'বলৈ ধৰে আৰু ইউৰোপত মুদ্ৰানিৰ্ভৰ অৰ্থনীতি (Money economic) স্তৰৰ উন্নতি হ'ল। বাণিজ্যিক তথা নাগৰিক জীৱনৰ বিকাশৰ কাৰণ হ'ল জনসংখ্যা বৃদ্ধি। কিন্তু অৰ্থনৈতিক এই বিকাশ কৃষি পণ্যৰ উৎপাদন বৃদ্ধি, কৃষক বিক্ৰেতাৰ লাভ আৰু সামন্ত প্ৰভুৰ বৰ্দ্ধিত আয়ৰ বাবে সম্ভৱ হোৱা নাই। সম্ভৱ হৈছিল এটি নতুন বনিক শ্ৰেণীৰ উদ্ভ্যুদয়ৰ বাবে "Trade was becoming to an ever increasing degree the affairs of the whole time merchants and artisans trading in a professional way"। জনসংখ্যা বৃদ্ধিৰ লগত চাহিদা বৃদ্ধি পায়, সম্প্ৰাসৰণ হয় বজাৰ। বিশেষকৈ ক্ৰুচেদৰ যুদ্ধৰ ফলত সৃষ্টি হয় আন্তৰ্জাৰ্তিক বাণিজ্য। বাণিজ্য লাভজনক ৰূপ লোৱাত অধিকাংশ নাগৰিকে এই বৃত্তিৰ প্ৰতি আকৰ্ষিত হয়। বাণিজ্যৰ পৰা অহা লাভে সৃষ্টি কৰে মূলধন আৰু মূলধন ব্যৱহাৰ কৰাৰ কাৰণে নানাধৰণৰ অংশীদাৰ প্ৰথাৰ (Paternship) সূত্ৰপাত হয়। এই দৰে মহাজনী প্ৰথাৰ ওপৰত থকা চাৰ্চৰ বাধা নিষেধ শিথিল হ'বলৈ ধৰে।

সকলো দৰ্শনৰ দৰে ৰেনেচাৰ দৰ্শনৰ কেন্দ্ৰ বিন্দু আছিল মানৱ প্ৰকৃতিৰ সংজ্ঞা নিৰুপন, মূল্যবোধ বিশ্লেষণ আৰু ঈশ্বৰ আৰু মানুহৰ সম্পৰ্ক নিৰ্দ্ধাৰণ। ঈশ্বৰ হ'ল এটি পৰমবোধ (Idea)। ঈশ্বৰ বিশ্বৰ অংশ নহয়। বিশ্ব ব্ৰহ্মাণ্ড তেওঁৰ ছায়া। মানুহ নিজৰ ভাগ্য স্ৰষ্টা হ'লেও মানুহৰ চিন্তা কিন্তু সীমাৱদ্ধ। ৰেনেচা যুগৰ মানৱতাবাদী সকলৰ মানুহৰ মানসিকতা, সমাজ গঠন আৰু ব্যৱস্থাই মানুহৰ জীৱনত কেনে ক্ৰিয়া কৰে সেই সম্পৰ্কে আছিল অনীহা। ফলস্বৰূপে তেওঁলোকৰ পূৰ্ণ মানৱৰ পৰিকল্পনা বাধা প্ৰাপ্ত হয়। ৰেনেচা যুগৰ বিশ্ববীক্ষ্যাত (World out look) পূৰ্ণাংগ ৰূপৰ প্ৰতীক লিওনাৰ্দো দা ভিঞ্চিয়ে বিচাৰিছিল Recovery of past, লগতে সত্যৰ নতুন দিগন্তৰ আৱিষ্কাৰ। তেও গ্ৰীক আৰু ৰোমৰ ভাস্কৰ্য আৰু স্থাপত্য আদৰ্শকে সৌন্দৰ্য সৃষ্টিৰ একমাত্ৰ উপায় বুলি ভবা নাছিল। কাৰণ "He who has access to the fountain does not go to the water pot" বিনন্দীয়া বিশ্ব প্ৰকৃতিৰ চাৰিও পিনে আছে অফুৰন্ত সৌন্দৰ্যৰ ভাণ্ডাৰ। গতিকে অতীন্দ্ৰিয় ধাৰণাক লৈ চিন্তা চৰ্চাৰ কাৰণ নাই। লিওনাৰ্দোই এৰিষ্টটলৰ শিকলি বন্ধা মনেৰে পৃথিৱীখনক নিৰীক্ষা কৰিব বিচৰা নাছিল। তেওঁৰ চকুৰ দীপ্তি আছিল অভাবনীয় ভাবে

শক্তিশালী। যাক বঞ্জন ৰশ্মিৰ লগত তুলনা কৰিব পাৰি। লিওনার্দোৰ ইচ্ছা এটা যন্ত্র আবিষ্কাৰ কৰা যাৰ সাহায্যত পখীৰ নিচিনা মানুহে আকাশত বিচৰণ কৰিব পাৰিব। তেওঁৰ বিখ্যাত Note book নামৰ কিতাপখনত প্রায় পাঁচ হাজাৰ যন্ত্র, পশু আৰু মানুহৰ Anatomy আৰু ফুলৰ ৰেখা চিত্র আছে। এই দৰে ৰেনেচা যুগত মানুহৰ বিভিন্ন দিশত দেখা দিয়ে গতিশীলতা আৰু বিশ্ব প্রকৃতিৰ প্রক্রিয়া সম্বন্ধে নতুন কৌতুহল আৰু অনুসন্ধান প্রৱনতা সৃষ্টি হয়। সমুদ্রপথ উন্মুক্ত হোৱাত সমাজ জীৱনত নতুন ছন্দই দেখা দিয়ে। উদ্যোগী বণিক আৰু বুদ্ধিজীৱীসকলে দাবী তোলে সমাজৰ নতুন বিন্যাস, স্বাধীন চিন্তা, স্বাধীন প্রচেষ্টা, স্বাধীন সংগঠনৰ। এই চিন্তা ধাৰাই ষোল শতিকাৰ পৰা ১৯ শতিকাৰ ভিতৰত পশ্চিম ইউৰোপত ব্যাপক প্রভাৱ পেলায়। এই দৰে মানৱ ইতিহাসলৈ কঢ়িয়াই আনে বিশ্বজনীন সভ্যতা। এই সভ্যতাৰ বিকাশৰ উৎস আছিল এটি সমাজ দর্শন। যাৰ নাম লিৱ ব্যালিজম। এই দর্শনৰ মৌলিক আৱেদন হ'ল ব্যক্তিৰ বিকাশেই মানৱীয় কল্যাণৰ উৎস আৰু মানদণ্ড। পুজিবাদী ব্যৱস্থাৰ অগ্রগতিয়ে বুর্জোৱা শ্রেণীটোক আর্থিক ভাৱে শক্তিশালী কৰে এহাতে আৰু আনহাতে চার্চৰ দ্বাৰা সমর্থন পুষ্ট মধ্য যুগৰ দর্শনক— যি দর্শনৰ প্রভাৱত মানুহে বাস্তৱ জীৱনৰ কঠিন পৰিস্থিতি পাহৰি, সকলো আশা আকাংক্ষা ঈশ্বৰৰ ওপৰত আত্ম সমর্পণ কৰিববলৈ শিকনি দিযে— প্রত্যাখান কৰিববলৈ বিচাৰে। এইদৰে বুর্জোৱা মনীষীসকলে ঈশ্বৰৰ পৰিবর্তে মানুহৰ উদ্যোগ, সাহস আৰু শক্তিৰ ওপৰত নির্ভৰ কৰিববলৈ শিকনি দিয়ে। এই শিকনি পূর্বৰ Supernateral forcesৰ পৰিবর্তে হ'ল Secular antitheological আৰু লক্ষ্য হ'ল সামাজিক অসাম্য স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে নতুন মনৱতাৰ মূল্যবোধ গঢ়ি তোলা। ৰাষ্ট্রৰ Supernatural origin তত্ত্বৰ অগ্রাহ্য কৰি বুদ্ধিদীপ্ত আৰু যুক্তিৰ আধাৰত ব্যাখ্যা দাঙি ধৰাৰ চেষ্টা কৰে ইংলেণ্ডৰ চিন্তা নায়ক আৰু দার্শনিক হবচে (Hobes)। তেওঁৰ মতে Law was brought into the world for nothing else but to limit the natural liberty men in such a manner as they might not hurt but assist one other and join together against a come on enemy" গৃহ যুদ্ধ ৰোধ কৰাৰ উদ্দেশ্যে হবচে ৰাষ্ট্রৰ সীমাহীন ক্ষমতাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ সমর্থক হ'লেও তেওঁ বিপ্লৱী দার্শনিক তত্ত্ব আৰু গণতন্ত্রৰ প্রমূল্যৰ তীব্র বিৰোধিতা কৰিছিল।

১৮ শতিকাৰ ফৰাচী বুর্জোৱা দার্শনিক আৰু চিন্তা নায়কৰ মানৱতা ধ্যান ধাৰণা সুন্দৰভাৱে পৰিস্ফুট হৈ উঠে। তেওঁলোকৰ চিন্তা ধাৰাত সামন্তবাদী ৰাজতন্ত্র আৰু পুজিবাদী নতুন ব্যৱস্থাৰ মাজত থকা দ্বন্দ্ব দাঙি ধৰিববৰ চেষ্টা কৰে। প্রাক বিপ্লৱী ফ্রান্সৰ নিচিনা ইউৰোপত কোনো ৰাষ্ট্রত সামন্ত বাদ আৰু পুঁজিবাদী দ্বন্দ্ব ইমান তীব্র আৰু প্রত্যক্ষভাৱে তুলি ধৰা নাই। তেওঁলোকে সামন্ত যাজক শ্রেণীৰ দৃষ্টি ভংগী আৰু এই ব্যৱস্থাৰ হকে অকালতি কৰা অর্থনীতি, ৰাজনীতি আৰু নৈতিকতাক তীব্র সমালোচনা কৰে আৰু মানুহ একমাত্র কেন্দ্র বিন্দু বুলি গুৰুত্ব প্রদান কৰে। ফৰাচী বুর্জোৱা সকলৰ ধাৰণাত মানুহ হ'ল একমাত্র জীৱ, যিয়ে নতুন মূল্যবোধ সৃষ্টি কৰিব পাৰে। "Man is the only point from which all must issue and to which all must return " মানুহৰ সৃষ্টিৰ ধর্মীয় আৰু আধ্যাত্মিক ব্যাখ্যা পৰিহাৰ কৰি তেওঁলোকে মানুহৰ সৃষ্টিশীল ক্ষমতাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁলোকৰ মতে মানুহ অলৌকিক প্রকৃতিৰ পৰিবর্তে প্রকৃতিৰ অংগ। কিন্তু দানৱীয় সামন্ত ব্যৱস্থাই মানুহৰ সুখ আৰু আনন্দৰ সামগ্রিক বিকাশৰ সকলো পথ অৱৰুদ্ধ কৰি দিছে। "Man is born free and every where he is chains" ফৰাচী বুর্জোৱা দার্শনিকসকলে বলিষ্ঠ ভাৱে স্বর্গ সুখৰ মিছা প্রতিশ্রুতি প্রত্যাখান কৰি বর্তমান বাস্তৱ অৱস্থাৰ মাজত মানুহৰ সুখ আনন্দৰ পথৰ অনুসন্ধান কৰিববলৈ মানুহক প্রেৰণা দিছিল। প্রাক বিপ্লৱৰ ফৰাচী বুর্জোৱা দার্শনিক সকলে মানুহৰ অর্থনৈতিক উন্নতি ৰাজনৈতিক স্বাধীনতা আৰু মানুহৰ গুণগত বিকাশৰ ওপৰত জোৰ দিলেও কিন্তু ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ বাবে সক্রিয় ওকালতি কৰা নাছিল। তেওঁলোকে প্রত্যয় সৈতে বিশ্বাস কৰিছিল যে সামন্ত প্রথা বা ব্যৱস্থাৰ উচ্ছেদ অবিহনে মানুহৰ সমৃদ্ধি সম্ভৱ নহয়। কিন্তু সামন্ত তন্ত্র উচ্ছেদ সাধন কৰি পুঁজিবাদী শ্রেণীটোৱে শোষণ আৰু দাসত্বৰ নতুন ৰূপান্তৰহে কৰিলে সেইটো তেওঁলোকৰ বোধ গম্য হোৱা নাছিল। সেয়ে চিন্তা ধাৰাৰ সীমাৱদ্ধতাৰ মাজত তেওঁলোকে গণতান্ত্রিক স্বাধীনতা, মত প্রকাশৰ স্বাধীনতা, বাতৰি কাকতৰ স্বাধীনতা আদিক সমর্থন দিছিল। আচলতে Enlightened Monarch ৰ সমর্থক বুর্জোৱা চিন্তা নায়কসকলে গণতান্ত্রিক অধিকাৰ মানে "Third Estate" ৰ অধিকাৰ বুলি গণ্য কৰে। আইনৰ চকুত সকলো সমান দাবী তোলাৰ ফলশ্রুতিত সমাজ জীৱনৰ ভেটি শক্তিশালী হয়। মানুহৰ ৰাজনৈতিক অধিকাৰ আৰু সামাজিক অধিকাৰ আদিৰ ভেটি শক্তিশালী হ'বলৈ ধৰে আৰু মানৱতাৰ নীতিৰ আধাৰত সমাজ জীৱনত নতুন পৰিবর্তনৰ দিশ সূচনা হয়। কিন্তু পুঁজিবাদী ব্যৱস্থাই শাসক শ্রেণীক আনি দিয়া আইনসংগত সুবিধাই (legally protected privileges) বৃহৎ সংখ্যক মানুহক বঞ্চনাৰ চিকাৰ হ'বলৈ বাধ্য কৰে। প্রাক বিপ্লৱী ফৰাচী দার্শনিকসকলৰ নৈতিক (Ethical) মানদণ্ড চিন্তাৰ অপৰিহার্য অংগ। তেওঁলোকৰ মতে মানুহ স্বাভাৱগত (by nature) স্বার্থপৰ। ভ্রান্তভাৱে মানুহৰ অহংবোধক (egotism) মনস্তত্ত্বৰ উল্লেখযোগ্য অংগ বুলি নিশ্চিত হয়। তেওঁলোকৰ ধাৰণাত ব্যক্তিবাদ (individualism) আৰু নিজৰ প্রতি মমতা (self love) অতিক্রম কৰাটো মানুহৰ বাবে

কষ্টসাধ্য। Helvetins আৰু তেওঁৰ সহযোগী দাৰ্শনিকসকলে বিশ্বাস কৰিছিল যে মানুহে self love ৰ দ্বাৰাই আনৰ স্বাৰ্থৰ প্ৰতি সন্মান আৰু সহৃদয়শীল হোৱাৰ শিকনি ল'ব পাৰে । ফৰাচী দাৰ্শনিক La mattric, Diderot, Helvetins আদিয়ে তেওঁলোকৰ ৰচনা ৰাজিৰ মাজেদি মানুহৰ আত্মীয়তা, মৰম, দয়া আদিৰে অনুপ্ৰাণিত কৰি মানুহ সুখী, পৰস্পৰৰ মাজত মানৱীয় সম্পৰ্ক আৰু নৈতিক মানদণ্ডৰ গঢ় দিবলৈ যত্ন কৰে । কিন্তু মানুহে নিজৰ অহং প্ৰকৃতি অতিক্ৰম কৰি তেনে সম্পৰ্ক স্থাপন কৰাটো কষ্ট সাধ্য । তথাপি তেওঁলোকে মানৱীয় বিকাশৰ প্ৰক্ৰিয়া বিকশিত কৰিব পাৰিব বুলি বিশ্বাস কৰিছিল । "We must always rember that permanent happinese must be founded on self respect and the good can bring to others and that for the man living in society there is no greater folly than the desire to render only himself happy" মানৱীয় সম্বন্ধ বিমূৰ্ত্ত ধৰ্ম আৰু mystical শিকনিৰ দ্বাৰা গঢ়ি তোলাটো কষ্টকৰ। তাৰ পৰিবৰ্তে আইনগত পৰিস্থিতি সৃষ্টি কৰি আৰু ব্যক্তিৰ মানসিকতাত মানৱসেৱা নৈতিক মানদণ্ড জাগ্ৰত কৰিব পাৰি বুলি ফৰাচী বিমূৰ্ত্ত চিন্তাবিদসকলৰ ধাৰণা প্ৰত্যয়ৰ সৈতে বিশ্বাস কৰিছিল । সেয়ে তেওঁলোকে সামন্ত প্ৰথা আৰু স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ উচ্ছেদৰ দাবী তোলে। আচলতে ফৰাচী দাৰ্শনিক সকলৰ চিন্তাধাৰাত সীমাবদ্ধতাৰে ভৰপূৰ । ব্যক্তিগত স্বৰ্থ পূৰণৰ মাজেদি ৰাজহুৱা স্বাৰ্থ পূৰণ কৰিব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰিলেও তেওঁলোকৰ লেখনিয়ে মানৱতাবাদী চিন্তাধাৰা আৰু ব্যক্তিমানুহৰ নৈতিকতা ক্ৰমবৰ্দ্ধমান আৰু সংগঠিত গতিশীল ৰূপে লোৱাত অভূত পূৰ্ব বৰঙণি দিছিল । লগতে Utopian আৰু বৈজ্ঞানিক সমাজবাদৰ তত্ত্ব শাক্তিশালী ভাৱে উপস্থাপন কৰাৰ পটভূমি গঢ়ি তোলে।

জাৰ্মান দাৰ্শনিকসকলৰ লেচিং (Lessing) চিলাৰ (schiller) আদিৰ চিন্তাধাৰাত মানৱতাবাদী প্ৰমূল্যৰে ভৰ পূৰ । তেওঁলোকে সামন্তবাদী বৈষম্য, ব্যক্তিৰ গোলামী, মধ্যযুগীয় asectieism আদিৰ বিৰোধিতা কৰি মানুহৰ সুখ-সমৃদ্ধিৰ চৰ্তত সমৰ্থন দিছিল । জাৰ্মান দাৰ্শনিকসকলে মধ্যযুগীয় ৰোমান্টিক পৰম্পৰাৰ বিপৰীতে গুৰুত্ব প্ৰদান কৰে কলাৰ মাধ্যমত সমাজ আৰু জীৱনৰ সমস্যা দাঙি ধৰাত । মধ্যযুগৰ নায়কসকলক সিংহাসন চ্যুত কৰি কলাক মানুহৰ সাহস, শক্তি আৰু সংগ্ৰামৰ প্ৰতীক আৰু মানৱতাৰ প্ৰকাশ ভংগী বুলি ঠাৱৰ কৰে । আন এগৰাকী জাৰ্মান মনীষীৰ ধাৰণাত মানৱতা, মনুষ্যত্ব আৰু সংস্কৃতি ধাৰাৰ বিকাশ মৌলিক ধৰ্ম । জাৰ্মান দাৰ্শনিকসকলে উপনিৱেশীয় শোষণ আৰু দুৰ্বল আৰু পিছপৰা মানুহ খিনিৰ হকে বলিষ্ঠ ভাৱে বক্তব্য ৰাখিলেও, তেওঁলোকে কিন্তু সম-সাময়িক যুগৰ সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ সমৰ্থ হোৱা নাছিল । লগতে তেওঁলোকে প্ৰচলিত ব্যৱস্থাৰ বৈষম্য ব্যৱস্থাক ক্ষুৰধাৰে আক্ৰমণ কৰিলেও ফৰাচীসকলৰ দৰে কিন্তু মানুহৰ জীৱন জীজ্ঞাসা সম্পৰ্কে তীব্ৰতা অৰ্জন কৰিব নোৱাৰিলে । আচলতে জাৰ্মান দাৰ্শনিকসকলৰ চিন্তাধাৰা উগ্ৰবাদী বা চৰিত্ৰগত ভাৱে বৈপ্লৱিক নাছিল । বৰং তেওঁলোকে ধৰ্মীয় সামন্ত আদৰ্শৰ (Feudual religious ideology) লগত বুজাবুজি কৰা বুলি ক'ব পাৰি । এই ধাৰণাটি ফে'ৰ বেকৰ (Feuerback) সময়লৈ অব্যাহত থাকে । চামুৱেল কেণ্ট সামাজিক ৰাজনৈতিক ধাৰণাৰ ক্ষেত্ৰত ৰুচোৰ সমৰ্থক । ৰুচোৰ নিচিনা তেওঁ ব্যক্তিৰ স্বাধীনতা আৰু সামাজিক সমতা সমৰ্থন কৰি সামন্তবাদৰ সামাজিক অসমতাক বিৰোধিতা মানুহৰ চৰ্তক (rights) সমৰ্থন দিছিল । কেণ্টে জোৰ দিছিল "Man should always be an end and never merely a mean" কিন্তু তেওঁৰ মানৱতাবাদী ধাৰণা গভীৰভাৱে বিমূৰ্ত । কাৰণ কাণ্টে মানুহৰ ব্যক্তিগত সম্পত্তি মানুহৰ চিৰস্থায়ী "Eternal and inalienal right" বুলি ঠাৱৰ কৰিছিল । কিন্তু শিল্পৰ মালিক জমিদাৰ আদিয়ে কৰা অমানৱিক শোষণৰ প্ৰতি গভীৰভাৱে মনোযোগ দিয়া নাছিল । সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত থকা দ্বন্দ্ব বা শত্ৰুতা, বিৰুদ্ধ গোষ্ঠী যেনে শোষক আৰু শোষিত আদিৰ সমস্যা সমাধানৰ পথ কাণ্টে কিন্তু দাঙি ধৰিব নোৱাৰিলে । তেওঁৰ মতে " Moral conduct was totaly seperated from actual social relations; from social practices, from people's struggle for real happiness and well being " গতিকে ১৮ শতিকাৰ ফৰাচী বুৰ্জোৱা চিন্তা নায়কসকলৰ নৈতিক শিকনিৰ লগত কেণ্টৰ মানৱতাবাদৰ পৃথকতা লক্ষণীয় । বাস্তৱ অৱস্থাৰ আৰু যুক্তিৰ পৰা আতৰি আত্মাৰ অমৰত্ব আৰু ভগৱানৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰে । এগৰাকী সমালোচকে কাণ্টৰ আদৰ্শবাদ আৰু নৈতিকতা সম্পৰ্কে এনেদৰে উক্তি কৰিছে "Like a juggler out of an empty hat, Kant draws out of the concept of duty of God, immorality and freedom to the great surprise of readers" মানুহৰ দাৰ্শনিক প্ৰশ্নৰ লগত জড়িত মানৱতাবাদী তত্ত্বৰ ওপৰত গভীৰভাৱে আলোকপাত কৰে জাৰ্মান তথা বিশ্ববন্দিত দাৰ্শনিক হেগেলে । অৱশ্যে হেগেলে মানৱতাবাদী এই প্ৰশ্নসমূহ Objective realism দৃষ্টি ভংগীত নিৰীক্ষণ কৰিছে । হেগেলেও বিশ্বাস কৰে যে মানুহে কাৰ্যকাৰী কাৰ্যৰ প্ৰক্ৰিয়াৰ ফলশ্ৰুতিত নিজ মৰ্ম (essance) সৃষ্টি কৰে । তেওঁৰ মতে মানুহৰ নৈতিকতাৰ মৰ্ম বিচৰাৰ মনোভাৱৰ বিপৰীতে কাৰ্যকাৰী কৰ্মৰ দ্বাৰা কৰা উচিত । "The laurels of mere desire are but dry leaves and the principles of the duty for the sake of duty is a principle of the duality

of man which compels him to perform with revolusion that which God commands" হেগেলে কাৰ্যকাৰী কৰ্মৰ সমস্যা বিবেচনা কৰাৰ সময়ত কিন্তু Frame work of abstraction কৰা নাই । আচলতে হেগেলৰ চিন্তাধাৰা অতি দুৰূহ । এগৰাকী ফৰাচী নাগৰিকে প্ৰখ্যাত জাৰ্মান দাৰ্শনিক গৰাকীক তেওঁৰ দৰ্শনক এটি বাক্যত প্ৰকাশ কৰাৰ অনুৰোধত হেগেলে কৈছিল "Thou shalt love thy neighbour as thyself"। পৰৱতী কালত এই প্ৰশ্নৰ জৱাবত দহটা খণ্ডৰ বৃহৎ গ্ৰন্থ ৰচনা কৰে । এই বৃহৎ গ্ৰন্থ প্ৰকাশ হোৱাত সমগ্ৰ বিশ্ব জুৰি হোৱা উত্তপ্ত আলোচনাৰ প্ৰত্যুত্তৰত হেগেলে আশ্বৰ্য্যজনক উক্তি কৰে "One man can understand me but even be does not" হেগেলৰ বেছিভাগ ৰচনা এৰিষ্টটলৰ দৰে বক্তৃতা ধৰ্মী আৰু ছাত্ৰ নোটৰ পৰা সংগৃহীত । তেওঁৰ চিন্তাৰ মৌলিক উৎস হ'ল dialectical movement। কিন্তু জাৰ্মানীৰ মহান দাৰ্শনিক গৰাকীৰ মানৱতাৰ সামাজিক ৰাজনৈতিক সমস্যাসমূহ পৰস্পৰ বিৰোধী। তেওঁ নিজৰ সম-সাময়িক সমাজৰ শ্ৰেণী সমীকৰণ নিৰীক্ষণ কৰি তাৰ এটা নিজস্ব চিত্ৰ দাঙি ধৰাৰ প্ৰয়াস কৰে । তেওঁ লিখিছে "Evil society presents to us in these opposities and their intricacies a picture as remarkable in its luxury and super fluity as in its proverty and physical and moral decadence that are common to both." তেওঁ এহাতে সম্পদশালী শ্ৰেণীটোৰ অভুতপূৰ্ব প্ৰাচুৰ্য আৰু নিজৰ প্ৰাচুৰ্যৰ মাজত কেনেকৈ সম্পত্তিৰ দাসত্বলৈ ৰূপান্তৰ হৈছিল লক্ষ্য কৰিছিল আৰু আনহাতে দৰিদ্ৰ শ্ৰেণীটোৰ আধ্যাত্মিক আৰু ৰাজনৈতিক দাসত্বও লক্ষ্য কৰিছিল । আচলতে হেগেলে আদৰ্শবাদৰ দ্বাৰা সমাজৰ শ্ৰেণী মেৰুকৰণৰ মীমাংসা কৰিবৰ যত্ন কৰে ।

❑❑

*মই সম্পূৰ্ণভাৱে বিশ্বাস কৰিছো যে কোনো ব্যক্তি বা জাতিয়ে আনৰ সম্পৰ্ক এৰি অকলে বৰ্তি থাকিব নোৱাৰে । মহত্ব বা পৱিত্ৰতাৰ মিছা ধাৰণাত যেতিয়াই তেনে প্ৰচেষ্টা কৰা হৈছে, তেতিয়াই আনৰ সম্পৰ্ক নিবিচৰাজন বা জাতিৰ ওপৰত বিষম ফল হৈছে । আমি পৃথিৱীৰ সকলো জাতিৰ পৰা পৃথক হৈ পৰিছো আৰু তাৰ বাবে আমাৰ অধঃপতন ঘটিছে । এই ৰোগ নিৰাময়ৰ বাবে একমাত্ৰ উপায় হ'ল পৃথিৱীৰ বাকী অংশৰ ভটিয়নী পানীত ভটিয়াই যোৱা । গতিশীলতা জীৱনৰ চিহ্ন ।*

*— স্বামী বিবেকানন্দ*